11/3/91

READING ONLY

# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVERIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

## WINTER SESSION

VOLUME—IV

No. 3

DATED THE 12TH DECEMBER 1986

Price Rs. 9·70

READING ONLY INSIDE LIBRARY

# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVERIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

## WINTER SESSION

VOLUME—IV

No. 3

DATED THE 12TH DECEMBER 1986

Price Rs. 9·70

# CONTENTS

WINTER SESSION

Volume IV No. 3

Dated, the 12th December, 1986


| | | |
|---|---|---|
| 1. | Starred Questions and Answers ... | 1 |
| 2. | Short Notice Questions and Answers ... | 22 |
| 3. | Discussion during zero hours .... | 24 |
| 4. | Calling Attention .. | 32 |
| 5. | Presentation of Petition ... | 37 |
| 6. | Private Members' Pending Resolution ... | 37 |
| 7. | Adjournment ... | 50 |

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 198

Friday, December 12, 1986. The House m at nine O'Clock in the Assembly Chamber, at Dispur wi Mr. Speaker in the Chair.

## STARRED
## QUESTIONS AND ANSWERS
( To which oral answers were given )

### Re : Test Relief.

*১। শ্ৰীমতী দাসে সুধিছে ঃ

২৫ মাননীয় সাহাৰ্য্য ও পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰ কৰি জনাবনে ?

(ক) পূৰ্ব্বৰ পৰা চলি অহা Test Relief ৰ কাম সদ্যহতে ব কৰি ৰখা হৈছেনে ?

(খ) যদি হৈছে পুনৰ আৰম্ভ কৰা হবনে ?

(গ) যদি নহয়, তেন্তে গাঁৱলীয়া সৰু পথবোৰৰ উন্নতি আৰু মেৰামতি বি পদ্ধতিৰে কৰা হব ?

(ঘ) বান বিধ্বস্ত গাঁৱলীয়া পথবোৰ মেৰামতি আৰু উন্নতি কৰাৰ বা বিশেষ আচনি লোৱা হবনে ?

শ্ৰীথানেশ্বৰ বড়ো (সাহাৰ্য্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে

(ক) হয়।

(খ) নহয়।

(গ) Test Relief আচনিৰ উদ্দেশ্য আছিল প্ৰাকৃতিক দুৰ্য্যোগত পিড়ী লোকক স্থানীয়ভাৱে ক্ৰয়শক্তি প্ৰদান কৰা।

ঘ) গাঁৱলীয়া পথবোৰৰ মেৰামতি আৰু উন্নতি কৰাৰ দায়িত্ব ৰাজহ বিভাগৰ নহয়। N. R. E. P. আৰু R. L. E. G. P. আচনিৰ যোগেদি বৰ্ত্তমান এই কাম কৰা হয়।

শ্ৰীমতী দাস : অধ্যক্ষ মহোদয়, ডি, আৰ, ডি এ স্কীমৰ এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি, পিৰ জৰিয়তে ২০ ফুট বহল আৰু দীঘল ৰাস্তাসমূহ হে কৰে অৰ্থাৎ প্ৰধান পথসমূহ হে নিৰ্মান কৰে। কিন্তু আগতে গাঁৱৰ ভিতৰলৈ সোমাই যোৱা সৰু সৰু ৰাস্তা বিলাক টেষ্ট ৰিলিফৰ জৰিয়তে ডি, চি আৰু এচ,ডি,ওৰ যোগেদি কৰা হৈছিল। এতিয়া যদি বানবিধ্বস্ত অঞ্চল সমূহৰ সৰু সৰু ৰাস্তা সমূহ এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি, পিৰ জৰিয়তে কৰিব নোৱাৰে আৰু টেষ্ট ৰিলিফ ও বন্ধ কৰি থোৱা হৈছে, এই ৰাস্তাসমূহ কেনেকৈ কৰা হব ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) অধ্যক্ষ মহোদয়, আগতে টেষ্ট ৰিলিফৰ ব্যৱস্থা আছিল। বান প্ৰপ্ৰিত অঞ্চল সমূহৰ ক্ষতিগ্ৰস্ত ৰাষ্টা ঘাট বিলাক বা প্ৰাকৃতিক দুৰ্য্যোগত কিবা এটা হৈছে তাৰ বাবে বৰ্ত্তমান যি স্কীম আছে সেইমতে কৰিলে উপকৃত হব বুলি মই ভাবো।

Shri Altaf Hussain Mazumdar : Mr Speaker Sir, it is really a very burning problem for the whole State. There are some village roads constructed under those schemes in every gaon panchayat area which were damaged or washed away by recent floods. Formerly there were some test relief works provided for relief to affected people. p W D does not take over those roads for repair, and to get money under I R D P or R L E G P it takes a long time for getting the new road construction works approved. What we now require is some immediate relief by providing some money so that small roads can be repaired and in this way employment can be given to rural people. Will the Government consider providing some money from the Revenue Relief to each Gaon Panchayat so that some employment will be generated which will give relief to affected people and at the same time the small paths will be strengthened ? Will the Government consider this aspect ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়টো যিহেতুকে বন্ধ হৈ আছে আজি তিনি বছৰ আগৰ পৰা হথাতে খুলিব পৰা নাযাব। ৰিলিফ কলচৰ সম্পৰ্কে কেন্দ্ৰিয় চৰকাৰৰ লগত আলোচনা কৰিব লাগিব। বিভাগৰ ফালৰ পৰা প্ৰয়োগ কৰিব পৰা নাযাব। অবশ্যে প্ৰয়োজন হলে ৰাজহ বিভাগক অৰ্থ সাহাৰ্য্য দিব পৰা যাব।

**Shri Altaf Hussain Mazumdar** : Sir, probably this is not necessary. From the Relief head we are now providing funds for different schemes for giving employment to rural people. From Revenue Relief money can be given due to flood damages now and for flood relief, Assam Government has appealed the Govt. of India for flood relief fund. As the Hon'ble members of the House know and agree with me that our village roads are getting destabilised and in order to repair them, some money can be provided from the Revenue Relief which will generate employment to flood affected people and give relief. Will this aspect of the matter be examined by the Government ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিখিনি পৰামৰ্শ দিছে মই বিবেচনা কৰি চাম।

শ্ৰীদুৰ্গাদাস বড়ো : অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, আজি তিনি বছৰৰ আগৰ পৰা টেষ্ট ৰিলিফ বন্ধ হৈ আছে গতিকে অনতি পলমে টি, এচ, পিৰ ৰিলিফ দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : সেই বিষয়টো বিবেচনা কৰিম বুলি কোৱা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, যোৱা খৰাং বতৰ বা বানপানীত যিবিলাক ৰাস্তা ঘাট আদি মেৰামতিৰ ব্যৱস্থা কৰিব লগীয়া হৈছে সেই বিলাকৰ কাৰণে ৰিলিফৰ ক্ষেত্ৰত প্ৰশাসনীয় সিদ্ধান্ত লব নোৱাৰি নেকি ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : অধ্যক্ষ মহোদয় আমাৰ টকা বোৰ ডি, চি এচ, ডি, ওৰ জৰিয়তে দিয়া হয়। প্ৰয়োজন হলে ব্যৱস্থা লব পৰা হব।

বিঃ বনৰীয়া হাতীৰ উপদ্ৰব।

শ্ৰীচিলভিয়াচ কন্দপানে সুধিছে :

২৬। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে : ?

(ক) এই বছৰৰ খৰাং আৰু বানপানীৰ পৰা উদ্ভৱ হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বনৰীয়া হাতীৰ উপদ্ৰবৰ পৰা খেতিয়ক ৰাইজৰ পথাৰৰ ধান বচাবলৈ চৰকাৰে কি ব্যৱস্থা লৈছে ?

(খ) বনৰীয়া হাতীয়ে মানুহৰ ঘৰ দুৱাৰ ভঙা আৰু শস্য নষ্ট কৰা খেতিয়কক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব নে ?

২৬' (গ) বনৰীয়া হাতীয়ে মানুহ মাৰিলে কিমান টকা ক্ষতি পূৰণ দিবলৈ ব্যৱস্থা চৰকাৰে কৰিছে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৬। (ক) বনৰীয়া হাতীৰ উপদ্ৰবৰ পৰা খেতিয়কৰ ধান বা শস্য ৰক্ষা কৰাৰ কাৰণে বিভাগীয় কৰ্ম্মচাৰী বিষয়াক উপদ্ৰব অঞ্চলত পহৰা দিয়া আৰু হাতী বোৰক গভীৰ অৰণ্যলৈ খেদি পঠিওৱাৰ কাৰণে নিয়োগ কৰা হয়।

(খ) ক্ষতিপূৰণৰ ব্যৱস্থা নাই।

২৬' (গ) চৰকাৰৰ দ্বাৰা এককালীন সাহাৰ্য্য দিয়াৰ ব্যৱস্থা ১৯৮৬ চনৰ ১৯ জুনৰ পৰা লোৱা হৈছে। নিহত হলে ৫০০০'০০ টকা আৰু আহত হৈ পঙ্গু হলে ৩০০০'০০ টকা।

শ্ৰীদুৰ্গা দাস বড়ো : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, পশ্চিম গুৱাহাটীৰ ৰানী ব্লক আৰু দৰঙৰ নৰৈ ৰেঞ্জত আৰু মাজবাট ৰেঞ্জত হাতীয়ে মানুহ মাৰিছে। হাতীৰ প্ৰটেকচন দিয়াৰ কাৰণে কোনো ব্যৱস্থা নাই। মৰিলে ৫ হাজাৰ টকা আৰু আঘাট পালে ৩ হাজাৰ টকা দিয়া হব সেইটো ভাল কথা। গতিকে হাতীৰ প্ৰটেকচন বিলাক দিয়াৰ ব্যবস্থা কৰিবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে ব্যৱস্থা লৈছো।

শ্ৰীচিলভিয়াচ কন্দপান : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে মোৰ (খ) প্ৰশ্নৰ উত্তৰত কৈছে যে, ব্যৱস্থা লৈছো। মোৰ প্ৰশ্ন হৈছে যে, যোৱা বানপানী

আৰু খৰাং বতৰৰ পৰিপ্ৰেক্ষিতত শস্য আদিকে ধৰি বস্তুবিলাকৰ ৰক্ষনাবেক্ষন দিয়াৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই ২৬ নং (খ) প্ৰশ্নৰ উত্তৰত কৈছো যে, হাতী খেদোৱাৰ বাবে আৰু অৰণ্যলৈ খেদি পঠোৱাৰ বাবে বিষয়া ও কৰ্ম্মচাৰী দিয়া হৈছে।

শ্ৰীচিলভিয়াচ কন্দপান : অধ্যক্ষ মহোদয়, হাতীয়ে উপদ্ৰব কৰা অঞ্চলত আৰু বানপানীয়ে শস্য নষ্ট কৰা অঞ্চলত কোনো ব্যৱস্থা লোৱা হৈছেনে ? মই জনাত হাতীয়ে উপদ্ৰৱ কৰা অঞ্চলত কোনো ব্যৱস্থা এতিয়ালৈ লোৱা হোৱা নাই।

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, একো ব্যৱস্থা লোৱা নাই বুলি কলে ভুল কৰা হব খবৰ পোৱা অঞ্চলৰ বাবে বিষয়া ও কৰ্ম্মচাৰী নিয়োগ কৰা হৈছে। ব্যৱস্থা আৰু বিশেষ ব্যৱস্থাৰ মাজত কোনো পাৰ্থক্য থাকিব নোৱাৰে।

শ্ৰীচিলভিয়াচ কন্দপান : এতিয়ালৈ হাতী খেদি পঠোৱাৰো কাম হোৱা নাই।

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি পানীখাইটি মেলেং আদিৰ পৰা খবৰ পোৱা মতে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তাৰোপৰি আপোনালোকে শুনিলে আচৰিত হব যে, কোনো ঠাইত হাতীৰ ভয়ত বিষয়া পলাবলগীয়া হৈছে কাৰণ জীৱনলৈ সকলোৰে মমতা আছে। কাৰণ হাতীয়ে বিভাগীয় কৰ্ম্মচাৰী নে বাহিৰৰ মানুহ এইটো চিনাক্ত কৰিব নোৱাৰে।

**Shri Altaf Hussain Mazumdar :** Mr. Speaker, Sir, I must thank the Hon'ble Minister that he is very much frank and he has expressed his helplessness but that pitiable condition should be removed and here probably wrong information is given. Recently, in Cacher there was depredation by wild animals and no forest staff had gone there because they said there was no protection for them ; secondly, they say what the Government will do when the elephants destroy paddy and other things ? The point is, are we going to pay relief for damage to the people ? Will the Forest Department give some sort of help to the people whose house have been damaged, whose crops have been damaged, by elephants in different places recently ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ১৯৭২ চনৰ পৰা ওৱাইল্ড লাইফ এক্টমতে সকলো ক্ষমতা কেন্দ্ৰীয় চৰকাৰে লৈছে। আমাৰ মাত্ৰ সামান্য ক্ষমতা আছে আৰু তাৰ দ্বাৰা আমি পগলা হাতীহে মাৰিব পাৰো। কিছুমান অঞ্চলত হাতীয়ে উপদ্ৰৱ কৰিছে কিন্তু সেইবিলাক পগলা হাতী নহয়। ধান খোৱাবো এটা নৰমেল নেচাৰ হাতীৰ আছে। মই দেখিছো এখন হাবিত মাত্ৰ এটা হাতী থাকিব পাৰে তাত ১৯ টা হাতী আছে। কাৰণ হাতীয়ে খাবলৈ অৰণ্যত খাদ্য নাইকীয়া হৈছে। গতিকে বিশেষ ব্যৱস্থা লোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰে আমাক ক্ষমতা দিব লাগিব। সেই সম্পৰ্কত আমাৰ বিষয়াসকলো দিল্লীলৈ গৈছে আৰু আমিও যোগাযোগ কৰি আছো।

**Shri Altaf Hussain Mazumdar :** Sir, that was not my question, Sir.......

শ্ৰীজয়নাথ শৰ্ম্মা : ওৱাইল্ড লাইফৰ ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ হাতত আনহাতে হাতীয়ে উপদ্ৰৱ আৰম্ভ কৰিছে। চৰকাৰে ১৯ জুন তাৰিখে ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিছে। আগতে হাতীয়ে ইমান মানুহ মাৰিছে তেতিয়া কোনো ক্ষতিপূৰণ দিয়া ব্যৱস্থা নাছিল নেকি ? লাইফৰ প্ৰটেকচন দিব নোৱাৰিলে কেন্দ্ৰীয় চৰকাৰৰ আইন ওফৰাই পেলাব লাগে।

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ক্ষতিপূৰণ ৰাজহ মন্ত্ৰীৰ ফালৰপৰা দিব লাগে। আমাৰ বিভাগৰ পৰা যিখিনি পাৰো দি থকা হৈছে।

শ্ৰীদুৰ্গা দাস বড়ো : অধ্যক্ষ মহোদয়, মই এতিয়া বাঘৰ কথা কবলৈ ওলাইছো। আতৰিঘাট বাগানত ওৱাইল্ড লাইফ এলেকাৰ পৰা ৪ টা বাঘ লৈ অনা হৈছে। সেই বাঘে এতিয়ালৈ ৪ টা গৰু আৰু ৮ টা ছাগলী খাইছে। গতিকে এই বাঘ কেইটাৰ বিহিত ব্যৱস্থা লব লাগে আৰু যদি চৰকাৰে নলয় তেনেহলে কেন্দ্ৰীয় চৰকাৰৰ আইন উলংঘা কৰি ৰাইজে নিজে ব্যৱস্থা গ্ৰহণ কৰিব।

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই অৱশ্যে ৰাইজে নিজে ব্যৱস্থা লোৱাৰ বিৰুদ্ধে আছো। আমাৰ বিভাগ আছে আৰু বিভাগেই সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব।

**Starred Question No. 27 was not called for.**

বিঃ ধৰমতুল, মান্দাকাটাত বানপানী।

শ্ৰীমহেন্দ্ৰ মোহন ৰয় চৌধুৰীয়ে সুধিছে :

২৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ? কপিলি জলসিঞ্চন আচনিৰ আসোৱাহ হেতু নগাওঁৰ ধৰমতুল, মাণ্ডাকাটা অঞ্চলত প্ৰলয়ংকাৰী বানৰ সৃষ্টি হোৱা বুলি কথাটো সত্য নেকি ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৮। সত্য নহয়।

শ্ৰীমহেন্দ্ৰ মোহন ৰয় চৌধুৰী : অধ্যক্ষ মহোদয়, আমি জানিবলৈ পোৱামতে কপিলী জলসিঞ্চন আচনিখন ভঙাৰ ফলত এই অস্বাভাৱিক বানপানীৰ সৃষ্টি হৈছে, ইয়ালৈ লক্ষ্য কৰিলে দেখা যায় যে সেই বানপানী স্বাভাৱিক নাছিল কাৰিকৰী দিশত বিজুতি ঘটাৰ কাৰণেই এই বানপানীৰ সৃষ্টি। মোৰ সমষ্টিৰ কলাই গাৱঁত তুলসী নদীৰ ওপৰত নাহৰবাৰী বান্ধ ভাঙি যোৱাৰ ফলত সেই গাওঁখন উচ্ছেদ হবলৈ ধৰিছে। মন্ত্ৰী মহোদয়ে এই কথাৰ প্ৰতি দৃষ্টি ৰাখি ব্যৱস্থা লবনে ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, নাহৰবাৰী বান্ধ কি হৈছে মই নাজানো কিন্তু কপিলি প্ৰকল্পৰ বান্ধ নায়েই, কপিলীৰ বান্ধ ভাঙি বানপানী সৃষ্টি হোৱা কথাটো সত্য নহয়। বৰং প্ৰলংকৰী বানপানীয়ে উত্তোলন জলসিঞ্চনৰ হে ক্ষতি কৰিছে।

**Shri Ardendhu Dey :** Will the Minister state what is the reason for that flood ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই জলসিঞ্চনৰ দায়িত্বত আছোঁ, অনুগ্ৰহ কৰি প্ৰশ্নটো বান নিয়ন্ত্ৰণ মন্ত্ৰীক সুধিলে ভাল হয়।

Re : Publication of District Gazetteer.

**Shri Digendra Purkayastha asked :**

*29. Will the Minister, Education be pleased to state :

(a) The number of District Gazetteers published by the State Government since the inception of the Department ( District wise name may be furnished ) ?

(b) Is it true that the printing of Kamrup and Cachar District Gazetteers has already been completed by the press several years ago ?

(c) If so why the books were not released by the Government till the date ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

২৯। (ক) বৰ্ত্তমানলৈকে জিলা গেজেটিয়াৰ প্ৰকাশ পোৱা কেইখনৰ নাম তলত দিয়া হল।

১। শিৱসাগৰ ২। লক্ষীমপুৰ ৩। দৰং ৪। গোৱালপাৰা ৫। নগাওঁ

৬। কাৰ্বিআংলং আৰু উত্তৰ কাছাৰজিলা।

(খ) হয়।

(গ) বেটুপাত আৰু অন্যান্য কিছু বিষয়ত আসোঁৱাহ থকাৰ হেতুকে উক্ত জিলা দুখনৰ গেজেটিয়াৰ প্ৰকাশ কৰিব পৰা হোৱা নাই। বিষয়টো চৰকাৰে পৰীক্ষা কৰি আছে।

**Shri Ramendra Dey :** Mr. Speaker Sir, I find in the Gazetteers of North Cacher District ( Karbi Anglong ), Goalpara, Cacher Karimganj is with full of errors and misleading facts, if so whether the Government will examine the facts, and why the Gazetteers of Cacher, Karimganj and other district has not yet published.

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বহুত বছৰ ধৰি উপদেষ্টা মণ্ডলী নথকাৰ কাৰণে সময় মতে কাম হোৱা নাই। গতিকে, বিষয়টো পৰীক্ষা কৰি চোৱা হৱ। বাকীখিনি ইতিমধ্যে প্ৰকাশ পাইছে। বাকীখিনিত যদি কিবা বিসঙ্গতি আছে মাননীয় সদস্য গৰাকীয়ে আপত্তি দিলে পৰীক্ষা কৰি চোৱা হব। প্ৰকাশিত গোটেইখিনিৰ কথা মই আকৌ কৈছোঁ—

শিৱসাগৰ জিলা বিৱৰণীকা ১৯৬৭ চনত,

লক্ষীমপুৰ জিলাৰ ,, ১৯৭৪ ,,

নগাঁও জিলাৰ বিৱৰণীকা ১৯৭৮ চনত
দৰং জিলাৰ " ১৯৭৮ "
সংযুক্ত উত্তৰ কাছাৰ জিলাৰ " ১৯৮৫ "
গোৱালপাৰা জিলাৰ " ১৯৭৯ " প্ৰকাশ পাই গৈছে।

সেইবিলাকত যদি কিবা বিসঙ্গতি আছে পৰীক্ষা কৰি চোৱা হব। আৰু দুখন জিলা কামৰূপ আৰু কাছাৰৰ ১৯৮৩ আৰু '৮৩ চনত প্ৰকাশ পাইছে। কিন্তু এই দুয়োখন জিলাৰ ক্ষেত্ৰত কিছুমান বিসঙ্গতি পৰিলক্ষিত হৈছে। বৰ্ত্তমান উপদেষ্টা মণ্ডলী পৰিচালনা কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, জিলা বিৱৰণীকা বিলাকত একোখন জিলাৰ অনেক কথা জড়িত হৈ থাকে, মাননীয় মন্ত্ৰী গৰাকীয়ে যি কেইখন জিলা বিৱৰণীকা প্ৰকাশ পোৱাৰ কথা কলে সেইবোৰ প্ৰকাশ পোৱাত পলম হৈছে নে নাই? আৰু যদি হৈছে ইয়াৰ কাৰণ কি?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সময়মতে প্ৰকাশ নোপোৱাৰ কাৰণ কেইবাটাও আছে— ১৯৮৩ চনত যেতিয়া কামৰূপ জিলাৰ বিৱৰণীকাখন ছপা হৈ ওলায়, সেইখিনি সময়ত জিলা বিৱৰণীকাৰ কোনো উপদেষ্টামণ্ডলী নাছিল, সেয়ে তেতিয়াৰ মুখ্য সম্পাদকে তেতিয়াৰ মুখ্য সচিব শ্ৰীৰমেশ চন্দ্ৰক বিৱৰণীকাখনৰ "আগকথা" লিখিবলৈ অনুৰোধ কৰে আৰু সেই উদ্দেশ্যে তাৰ সবলো যাৱতীয় তথ্যপাতি মুখ্য সচিবলৈ প্ৰেৰণ কৰা হয়। ইতিমধ্যে তেতিয়াৰ মুখ্য সম্পাদক জিলা বিৱৰণীকা কাৰ্য্যালয়ৰপৰা বদলি হয় আৰু নতুন মুখ্য সম্পাদকে কাৰ্য্যভাৰ গ্ৰহণ কৰে। (মাৰ্চ ১৯৮৩ ত) মুখ্য সচিব শ্ৰীৰমেশ চন্দ্ৰ বদলি হোৱাৰ আগমুহূৰ্ত্তত মুখ্য সম্পাদকক কামৰূপ বিৱৰণীকাৰ কিছুমান ভুল মৌখিক ভাৱে দেখুৱাই দিলে।

**Shri Altaf Hussain Mazumdar** : Mr. Speaker, Sir, the Hon'ble Minister is to give the answer, not the long supplementaries given by the Officers otherwise the whole question hour will be taken by a single question.

( interruption )

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মোক কৰা প্ৰশ্নটোৰ উত্তৰ মই দিবলৈ হলে এইখিনি কথা কবই লাগিব। পূৰ্ব্বৰ অভিজ্ঞ সদস্য সকলে কিবা কবলগীয়া হলে মোৰ উত্তৰ দানৰ পিচতো কব পাৰিব। উত্তৰ দিওঁতে যাতে মোক হস্তক্ষেপ নকৰে। উপদেষ্টা মণ্ডলী নোহোৱাৰ কাৰণে যথেষ্ট পলম হৈছে। আগৰ চৰকাৰে কৰা অৱহেলাৰ ফলতেই উপদেষ্টামণ্ডলী গঠন কৰা হোৱা নাছিল, আমি দায়িত্ব লোৱাৰ পিচত উপদেষ্টা মণ্ডলী গঠন কৰাৰ ব্যৱস্থা লোৱা হৈছে।

Re : Amalgamation of Schools.

**Shri Altaf Hussain Mazumdar asked :**

*30. Will the Min ister, Education be pleased to state :

(a) Is it a fact that there is a proposal for amalgamation of (1) Dolu High School and Dolu M. E. School (2) Golaknath High School and Golaknath M. E. School under the jurisdiction of Inspector of Schools, Cachar ?

(b) If so, since when and will the Government amalgamate these Schools ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩০। (ক) একত্ৰিকৰণ সম্পৰ্কে মাননীয় সদস্য গৰাকীৰ পৰা এখন চিঠি পোৱা হৈছিল। কিন্তু একত্ৰিকৰণৰ কোনো প্ৰস্তাৱ কাছাৰ জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ পৰা এতিয়ালৈকে পোৱা হোৱা নাই। স্কুল পৰিদৰ্শকক আৱশ্যকীয় তথ্য পাতিৰে প্ৰতিবেদন দিবলৈ যোৱা ইং ২৩।১০.৮৬ তাংত সঞ্চালকে জনাইছে।

(খ) প্ৰতিবেদন পালে বিষয়টো পৰীক্ষা কৰি চোৱা হব।

**Shri Ramendra Dey :** Mr. Speaker Sir, whether the Government has any policy to amalgamate M. E. and H. E. Schools which are existing in the same compound ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, একত্ৰিকৰণৰ বিষয়টো আমি সদস্যহতে স্থগিত ৰাখিছো।

বৰ্ত্তমান অষ্টমান শ্ৰেণীলৈ সম্প্ৰসাৰিত কৰাৰ কথাটো পুনৰ বিবেচনা কৰিব পৰা হব। মাননীয় সদস্যজনৰ প্ৰশ্নটো পৰীক্ষা কৰি চোৱা হব।

**বিঃ কামাখ্যা মন্দিৰৰ পৰিচালনা।**

শ্ৰীদিলীপ শ্ৰীকুমাৰ শইকীয়াই সুধিছে :

*৩১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ? দৰ্শনাৰ্থীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতৰ ভিতৰতে প্ৰসিদ্ধ তীৰ্থ কামাখ্যাদেৱী মন্দিৰৰ পৰিচালনাৰ ভাৰ অসম চৰকাৰে নিজৰ হাতলৈ আনি দক্ষিণাত্যৰ তিৰুপতি মন্দিৰৰ আৰ্হিৰে কামাখ্যা মন্দিৰৰ ৰক্ষণাবেক্ষণৰ ভাৰো চৰকাৰে গ্ৰহণ কৰিব নে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

কামাখ্যা মন্দিৰ পৰিচালনাৰ সমিতিৰ সন্মতি সাপেক্ষে ৰক্ষণাবেক্ষণ তথা মন্দিৰ পৰিচালনাৰ বাবে উপযুক্ত ব্যৱস্থা লোৱাৰ বিষয়টো চৰকাৰে পৰীক্ষা কৰিব।

শ্ৰীদিলীপ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, কামাখ্যা মন্দিৰক অন্ধ্ৰ তিৰুপতি মন্দিৰৰ নিচিনা চোৱা চিতা কৰা কাৰণে এটা স্বকীয়া সচিবালয় খোলাৰ কথা চৰকাৰে চিন্তা কৰিছে নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) : এই বিষয়ে এতিয়ালৈকে কোনো ব্যৱস্থা কৰা হোৱা নাই।

শ্ৰীদিলীপ শইকীয়া : দৰ্শনাৰ্থী সকল থকাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) : কামাখ্যা মন্দিৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব এঞ্চিয়েণ্ট মনুমেণ্ট এক্টমতে কেন্দ্ৰীয় চৰকাৰৰ কিন্তু Assam State Requisition of Land Religious and Charitable Institution Act. ১৯৬৯ এক্টমতে মাটিবাৰী অধিগ্ৰহণ কৰা হৈছে আৰু তেওঁলোকক বছৰেকীয়া অনুদান দি থকা হৈছে। কিন্তু তিৰুপতিৰ দৰে কামাখ্যা মন্দিৰ পৰিচালনা কৰিবলৈ চৰকাৰে আইন প্ৰণয়ন কৰিব লাগিব আৰু চৰকাৰে এইটো পৰীক্ষা কৰি চাব।

শ্ৰীদিলীপ শইকীয়া : দৰ্শনাৰ্থীসকল থকাৰ কাৰণে তাত কিছুমান পৰ্য্যটক নিবাস কৰাৰ চিন্তা চৰকাৰে কৰিছে নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) : পৰ্য্যতক নিবাস সজোৱা দায়ীত্ব এই বিভাগৰ নহয়।

**শ্ৰীজয়নাথ শৰ্ম্মা :** অসমত কামাখ্যা মন্দিৰ আৰু হাজোৰ পোৱামক্কা কেনেকৈ কেতিয়া তৈয়াৰ হৈছিল তাৰ কিবা তথ্য মন্ত্ৰী মহোদয়ে জানেনে ?

**শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) :** ইয়াৰ কাৰণে সুকীয়া প্ৰশ্ন লাগিব।

### Re ; Election of Panchayat.

**Shri Abdul Muqtadir Choudhury** asked :

*32. Will the Minister, Panchayat be pleased to state :

(a) Whether Government is making preparation for holding panchayat Election during the next winter Session to restor the democratic process ?

(b) If so. the progress made till date ?

**Shri Chandra Arandhara** (Minister, Panchayat) replied :

(a) & (b) Preliminary steps have been initiated in this regard, However not final decision has been taken regarding time for holding the Elections.

**Shri Abdul Muqtadir Choudhury :** Sir, whether the delimitation process has been completed ?

**Shri Chandra Arandhara** (Minister, Panchayat) : Delimitation work of almost all the sub-divisions has been completed.

**Shri Abdul Muqtadir Choudhury :** Sir, the Hon'ble Minister has assured the house in the last session that election will be he'd immediately after the Bill becomes Act. ie, after it gets assent of President of India. Now Sir, I want to know from the Hon'ble Minister when the election will be held. Whether it will be held in this session.

**Shri Chandra Arandhara (Minister Panchayat) :** Hon'ble Seaker Sir, in this regard I like to state that the bill was passed in the last Budget Session. From our side we sent the Bill to the Govt. of India in the month of May but the Bill was signed by the President

of India very recently. Also I should like to point out that holding cf panchayat Election is a question of involvement of huge amount because there will be about 2,800 GPS. As I have already stated, I have almost finished delimitation work and other Preliminary works have been continuing. So, whenever it will be possible I will try to hold the election as early as possible.

**Shri Abdul Jabbar** : Mr. Speaker Sir, my question is whether hon'ble Minister will give any assurance to the House regarding holding of election as early as possible.

**Shri Chandra Arandhara, Minister panchayat** : Hon'ble Speaker Sir, I have already assured the Hon'ble member that election will be held as early as pessible after completion of preliminary works.

**শ্ৰীজয় নাথ শৰ্ম্মা** : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে প্ৰিলিমিনাৰী স্টেপ-লোৱা হৈছে। পঞ্চায়তৰ নতুন নিৰ্ব্বাচন হবলৈ হলে ভোটাৰ তালিকাৰ কথা আহিব কিন্তু ভোটাৰ তালিকাত সম্পূৰ্ণ ভাৰতীয় লোকৰহে নাম থাকিব লাগিব। এই বিষয়ে মন্ত্ৰী মহোদয়ে ব্যৱস্থা লৈছেনে ?

**Shri Chandra Arandhara Minister, Panchayat** : Mr. Speaker Sir, the question I think the Hon'ble Member knows it quite clearly. The question of voter list does not come because on the same voter list we held the parliamentary elections as well as elections of the State Legislative Assembly.

**Shri Charan Narzary** : Mr. Speaker Sir, Hon'ble Minister's reply is not satisfactory. He did not give the House any positive replies in respect of holding of panchayat elec tions, Sir, hon'ble Minister has spoken about the financial difficulties that we understand. I want to ask the Hon'ble Minister whether apart from financial difficulties there are other difficulties faced by the Government for which it is not possible for the Government to hold the election. If so, whether it is the diffuclity in respect of preparation of electoral roll

only or it is the difficulty in respect of delimitation of panchayat constituencies or the party in power has not been able to mobilise their various resourcss to make it fit for holding the election in their favour ?

**Shri Chandra Arandhara. Minister Panchayat :** Mr. Speaker Sir, probably, our hon'ble Member Shri Narzary is analysing the thing from his own stand-point. Our Government has no such notion that panchayat election will be held only after organising A G P. That is not the question, because, when the President of India assented the Bill we are compelled to hold the election and as I have already explained that there will be about 2,800 GPS and in every G P sometime there will be 4 to 5 polling stations. So, it is more than tripple the Assembly election. So, time factor is there and from the very beginning I have been very honestly stating to the hon'ble Members that I have been trying to hold the election as early as possible. That is why, I should remind the Hon'ble member also that the Bill was passed in a very quick manner. So, I will leave no stone unturned to hold the election at the earliest possible time.

বিঃ বৰপেটা জিলাৰ গাওঁ।

**শ্ৰীৰত্নেশ্বৰ চৰকাৰে সুধিছে ঃ**

৩৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা জিলাৰ ৩ খন গাওঁ আছে, যাৰ চাৰিওফালে গোৱালপাৰা জিলা, এই সম্পৰ্কে চৰকাৰ জ্ঞাত নে ?

৩৩। (খ) যদি জ্ঞাত এই ৩ খন গাৱৰ ৰাইজৰ সুবিধাৰ্থে, গাওঁ ৩ খন গোৱালপাৰা জিলাৰ অন্তৰ্ভুক্ত কৰাৰ চৰকাৰৰ কিবা পৰিকল্পনা আছে নে ?

(গ) যদি আছে কেতিয়াৰ পৰা কৰিব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৩। (ক) এই সম্পৰ্কে হাজী মহঃআজহৰ আলী সেখ আৰু অন্যান্যৰ পৰা এখন আবেদন পোৱা হৈছে।

৩৩। (খ) এই বিষয়ে পৰ্য্যালোচনা কৰি চৰকাৰক সুপাৰিশ কৰিবলৈ নামনি অসমৰ আয়ুক্তক সভাপতি আৰু সংশ্লিষ্ট উপায়ুক্ত আৰু মুখ্য অভিযন্তাক (গৃ) সভ্য হিচাবে লৈ এখন কমিটি গঠন কৰা হৈছে।

(গ) কমিটিৰ প্ৰতিবেদন পোৱাৰ পিছত চৰকাৰে বিবেচনা কৰি চাব।

শ্ৰীৰত্নেশ্বৰ চৰকাৰ :—অধ্যক্ষ মহোদয়, আমি জনাত আগৰে পৰা বৰপেটা জিলাৰ প্ৰায় সকলোখিনি চৰঅঞ্চল গোৱালপাৰাৰ লগত সলগ্ন কৰাৰ ব্যৱস্থা কৰা হৈছে। এই বিষয়ে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত যি অভিযোগ পোৱা হৈছে তাৰ বিষয়ে কওঁ চৰঅঞ্চল বিলাক তদন্ত কৰি চুপাৰিশ কৰিবলৈ কমিটি গঠন কৰি দিয়া হৈছে। তাৰ পিচতহে সিদ্ধান্ত লোৱা হব।

বিঃ অক্টোবৰ মাহৰ বানপানীত ভঙা মথাউৰি।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

৩৪। মাননীয় বাননিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অক্টোবৰ মাহৰ প্ৰবল বানে অসমৰ কোন কোন ঠাইৰ মথাউৰি ভাঙিলে ?

(খ) উক্ত মথাউৰিবোৰ পুনৰ মেৰামতিৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

(গ) কেন্দ্ৰীয় চৰকাৰক ইয়াৰ বিষয়ে দৃষ্টি গোচৰ কৰাইছেনে ?

শ্ৰীছামছিং হান্সে ( বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৪। (ক) অক্টোবৰ মাহৰ বানে ব্ৰহ্মপুত্ৰ উপত্যকাৰ নগাওঁ আৰু যোৰহাট জিলাত বৰাক উপত্যকাৰ কাছাৰ আৰু কৰিমগঞ্জ জিলাত মথাউৰি ভাঙে।

(খ) ভঙা মথাউৰিবোৰ মেৰামতিৰ বাবে যাৱতীয় জোখ-মাখ কৰি প্ৰাক্-কলন প্ৰস্তুত কৰি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আৰ্থিক সাহাৰ্য্যৰ বাবে আবেদন সহ প্ৰেৰণ কৰা হৈছে।

(গ) হয়।

শ্ৰীদেবেশ্বৰ বৰা :—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে কোনো কোনো ঠাইত ব্ৰহ্মপুত্ৰৰ মঠাউৰি ভাঙিছে কিন্তু আমি জনাত বহুত মঠাউৰি ভাঙিছে। কোনো কোনো ঠাইত গোটেইটো মঠাউৰিয়েই ভাঙিছে মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে আচলতে কিমান মঠাউৰি ভাঙিছে ?।

শ্ৰীছমসিং হান্সে (বান নিয়ন্ত্ৰন মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা অক্টোবৰ মাহত বানত বিশেষভাৱে যোৰহাট সংমণ্ডলৰ ধনশিৰী কাকডোঙা আদিত বিস্তৰ ক্ষতি হৈছে। ধনশিৰীত ১৩ ঠাইত, কাকডোঙাত ২ ঠাইত, কপিলীত ২৯ ঠাইত কলংঙত ১৯ ঠাইত, কিলীং কপিলীত ৬ ঠাইত বৰাক উপত্যকাত ৩ ঠাইত আৰু ৰঙা নদীত ৩ ঠাইত ভাঙিছে।

শ্ৰীদেবেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, আমাৰ দৈয়াং নদীত যিটো বান্ধ আছে সেইটোও ভাঙিছে, সেই কথা মন্ত্ৰী মহোদয়ৰ উত্তৰত নাই। আকৌ মৰিয়াহোলাৰ কথাও কোৱা নাই। ইয়াতো বান্ধ ভাঙিছে। আমাৰ ৰাজ্যিক পৰ্য্যায়ৰ মন্ত্ৰীয়ে নিজে গৈ এইটো চাই আহিছে। আকৌ মাজুলীতো বান্ধ ভাঙিছে ইয়াৰ কথাও কোৱা নাই। গহপুৰৰ গমীৰীতো বান্ধ ভাঙিছে, এই গোটেই বিলাক কথাৰ অনুসন্ধানৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীছামসিং হান্সে(বান নিয়ন্ত্ৰন মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, ব্যৱস্থা কৰা হব।

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী :—অধ্যক্ষ মহোদয়, এই মঠাউৰি বিলাকৰ কাৰনে কিমান ঠাইত কিমান টকা দিয়া হৈছে জনাবনে ?

শ্ৰীছামসিং হান্সে (বান মন্ত্ৰী) —অধ্যক্ষ মহোদয়, মঠাউৰি নিৰ্ম্মানৰ কাৰনে এতিয়ালৈকে তেনে ধৰনে টকা পইছা দিয়া হোৱা নাই।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :—অধ্যক্ষ মহোদয়, এইবাৰৰ বানত কিমান মঠাউৰি ভাঙিল আৰু সেইবোৰ নিৰ্ম্মানৰ কাৰনে কিমান টকা খৰছ কৰা হব বুলি অনুমান কৰা হৈছে এইটো জনাবনে ?

শ্ৰীছামছিং হান্সে (বান মন্ত্ৰী): —অধ্যক্ষ মহোদয়, ইতিমধ্যে মঠাউৰি ভঙাৰ হিচাপটো মই দিছোঁ আৰু ৩২.৮ কোটি টকা এতিয়া ধৰা হৈছে মেৰামতিৰ বাবে।

কুমাৰ দীপক দাস :—অধ্যক্ষ মহোদয়, নতুনকৈ মঠাউৰি বন্ধা বা ভঙা মঠাউৰি মেৰামতিৰ কাৰনে কি ব্যৱস্থা কৰিছে অলপ কবনে ?

শ্ৰীছামছিং হান্সে :—(বান মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ উপত্যকাৰ কাৰনে সকলো কথা কেন্দ্ৰীয় চৰকাৰে হাতত লৈছে। সেয়ে বান নিয়ন্ত্ৰণৰ কাম কাজৰ কাৰনে সদায়ে কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ যাব-লগীয়া হয়। আৰু এতিয়াও বহুবাৰ যাবলগীয়া হৈছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাননিয়ন্ত্ৰণৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ হাতত থকাৰ কাৰণে টকা পইছাৰ ক্ষেত্ৰত অলপ আমি অসুবিধা পাইছো। আমি এতিয়াও বিত্তীয় অনুদানটোকে পোৱা নাই। গতিকে দিল্লীলৈ যোৱাৰ ফলত ফল যিমান ফলপ্ৰসূ হব লাগিছিল সিমানখিনি হোৱা নাই।

শ্ৰীদেব কুমাৰ বৰা : অধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত বান নিয়ন্ত্ৰন মন্ত্ৰীয়ে যি উত্তৰ দিছে তাৰ ভিত্তিত মই এটা কথা কব খুজিছোঁ যে কাকডোঙা নদীৰ বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যিটো বান্ধ আছে সেইটো ১৯৫২ চনৰ পৰা আজি ১৯৮৬ চনলৈকে মেৰামতি কৰিবৰ কাৰণে কোনো টকা পইছা দিয়া হোৱা নাই। এই বছৰ জানুৱাৰী মাহৰ সেই অঞ্চলৰ পৰা আমি দাবী কৰাৰ পিচত অৱশ্যে বানপানীৰ আগতেই দাবী জনাইছিল কিন্তু বানৰ পিছত ১২ কিঃ মিঃ মঠা-উৰি মেৰামতিৰ কাৰণে ৪৮ হাজাৰ টকা দিছে। দুয়োটা চাইডৰ কাৰণে এই টকা দিয়াটো সচানে ? আৰু এই ১২ কিঃ মিঃ বান্ধ দি বানপানী বন্ধ কৰিব পাৰিব বুলি ভাবিছে নেকি ? মন্ত্ৰী মহোদয়ে আমাক জনাবনে ?

শ্ৰীছামছিং হান্সে (বান বিভাগৰ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, তেনে ধৰনে কোৱা বুলি মই নাভাবো, যদি তেনে কথা উঠিছে নিশ্চয় মই অনুসন্ধান কৰাম।

শ্ৰীজয় নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে তেখেতৰ উত্তৰত কৈছে যে প্ৰাককলন প্ৰস্তুত কৰি কেন্দ্ৰীয় চৰকাৰক জনাইছে। এতিয়া কথা হ'ল কেতিয়া টকা পাম বুলি আশা কৰিছে ? বা কেন্দ্ৰৰ ফালৰ পৰাও কিবা নিশ্চয় আশ্বাস আদি পাইছে নেকি ? যদি কেন্দ্ৰীয় চৰকাৰে পইচা নিদিয়ে তেন্তে যোৱা বানত ফুটা ওলোৱা মঠাউৰিয়ে পুনৰ পানী সোমাই তেতিয়াহলে অহা বাৰ কি অৱস্থা হব ? ৰাজ্যিক চৰকাৰে কি ব্যৱস্থা কৰিব পাৰি এই পৰিপ্ৰেক্ষিতত আমাক বিতং-ভাবে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীছামছিং হান্সে (বান নিয়ন্ত্ৰন মন্ত্ৰী) : অধ্যক্ষ মহোদয়, দিল্লীলৈ যাওঁতে আমাৰ যিমান মঠাউৰি বানত নষ্ট হৈছে তাৰ ওপৰত ৩২.৬৮ কোটি টকাৰ প্ৰাককলন প্ৰস্তুত কৰি দিয়া হৈছে। অলপ দিনৰ আগতে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা এটা দল আহি ঠাইবোৰ নিৰীক্ষন কৰি গলহি। গতিকে এতিয়াই টকা পইছা কিমান পাম সেইটো কবলৈ অসুবিধা হৈছে। বান নিয়ন্ত্ৰনৰ ক্ষত্ৰত কেন্দ্ৰই পইচা নিদিলে কি অসুবিধা হয় সেই বিষয়ে মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে কব খোজো যে ১৯৭০ চনতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো দায়িত্ব কেন্দ্ৰীয় চৰকাৰক দি দিয়ে গতিকে তাৰ পিছত ৰাজ্য চৰকাৰৰ কৰিবলগীয়া একো নাথাকে। এতিয়া সম্পূৰ্ণ কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। এই ক্ষেত্ৰত স্থায়ী ভাৱে সমস্যাৰ সমাধান কৰিবলৈ হলে বান নিয়ন্ত্ৰন বিভাগটো কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰৰ হাতত দিব লাগিব। অসমৰ মন্ত্ৰীৰ হাতত সম্পূৰ্ণ দায়িত্ব পৰিলেহে ভালদৰে কাম কৰিব পৰা যাব।

শ্ৰীগনেশ কুটুম : অধ্যক্ষ মহোদয়, বানপানীৰ সমস্যাটো অসমৰ আৰ্থিক উন্নতিৰ কাৰণে এটা ডাঙৰ অন্তৰায় হৈ পৰিছে সেয়ে এই ক্ষেত্ৰত

এটা বিস্তৃত আলোচনাৰ প্ৰয়োজন হৈ পৰিছে। মই এটা কথা কব খুজিছো যে মন্ত্ৰী মহোদয়ে নিজৰ উত্তৰ হৈছে। আনপিনে আমাৰ পঞ্চ বাৰ্ষিক পৰিকল্পনাত কেন্দ্ৰই মাত্ৰ ৭৩ কোটি টকাহে দিছিল অৰ্থাৎ ১৩-১৪ কোটি কৈহে খৰছ কৰিব পাৰিব। কেন্দ্ৰৰ অনুমোদন নহলে আৰু নোৱাৰে। কেন্দ্ৰৰ সম্পুৰ্ণ দায়িত্ব দিয়াৰ পিচত অসমৰ কৰিবলগীয়া একো নাই। অসমৰ বান নিয়ন্ত্ৰন মন্ত্ৰীয়ে মাত্ৰ লিয়াচন অফিচাৰৰ দৰে হে কাম কৰি আছে। গতিকে এই বিভাগটো কেন্দ্ৰীয় চৰকাৰৰ পৰা পুনৰ ঘুৰাই আনিব লাগে যাতে ই অসমৰ আৰ্থিক উন্নতিৰ হেঙাৰ হৈ থাকিব নোৱাৰে। অসম চৰকাৰে এই বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এটা প্ৰস্তাৱ দাঙি ধৰিবনে ?

শ্ৰীছামছিং হান্সে ( বান বিভাগৰ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমি এটা পৰামৰ্শ আগবঢ়াব পাৰো।

শ্ৰীজগত হাজৰিকা : অধ্যক্ষ মহোদয়, মঠাউৰি নিৰ্মান বা মেৰামতীৰ কাৰণে যি টকা দিয়া হয় সেই টকাৰে মাষ্টাৰ ৰোলত কাম কৰা কৰ্ম্মচাৰীকো দৰমহা দিব লগীয়া হব নেকি ?

শ্ৰীছামছিং হান্সে (বান নিয়ন্ত্ৰন মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যিখিনি টকা কামৰ কাৰণে বুলি ধৰা হয় তাতে কৰ্ম্মচাৰীৰ দৰমহাও ধৰা থাকে।

**বিঃ বান নিয়ন্ত্ৰনৰ ব্যৱস্থা।**

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

৩৫। মাননীয় বাননিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ বানবিধস্ত অঞ্চল সমূহৰ ৰাইজক বান পানীৰ পৰা ৰক্ষা কৰিবলৈ অসম চৰকাৰে বানপানী নিয়ন্ত্ৰনৰ স্থায়ী কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ) বিভিন্ন বাননিয়ন্ত্ৰন বিভাগ সমূহত মূল কাম ( Original work ) কৰা ঠিকাদাৰ সকলে আজিও টকাবোৰ পোৱা নাই, গতিকে ঠিকাদাৰ সকলে পাব লগীয়া ধন সমূহ দিয়াটো চৰকাৰে কি সিদ্ধান্ত লৈছে ?

(গ) আধা হৈ থকা মথাউৰি বিলাক সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীছামছিং হাঞ্চে ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৫। (ক) বানপানীৰ পৰা ৰক্ষা পাবৰ বাবে নদীৰ পাৰত বহুতো মথাউৰি নিৰ্মাণ কৰা হৈছে। সেইদৰে খহনীয়াৰ পৰা ৰক্ষা কৰিবৰ বাবে বহুতো হ্ৰস্ব ম্যাদী আৰু দীৰ্ঘ্য ম্যাদী আচনি হাতত লোৱা হৈছে। ইয়াৰোপৰি বহুতো মথাউৰি নিৰ্ম্মান, মথাউৰি উচ্চ ও শক্তিশালী কৰাৰ আচনি আৰু লগতে খহনীয়া প্ৰতিৰোধৰ আচনি এই বিভাগৰ কাৰিকৰী উপদেষ্টা কমিটি ও কেন্দ্ৰীয় জল আয়োগৰ ওচৰত উৎথাপন কৰা হৈছে।

(খ) ব্ৰহ্মপুত্ৰ উপত্যকাৰ মূল কামৰ সম্পুৰ্ণ ধন ঋন সাহাৰ্য্য হিচাবে কেন্দ্ৰীয় চৰকাৰে যোগান ধৰে। অতি আৱশ্যকীয় কামৰ বাবে লগা খৰচৰ পৰিমান অনুপাতে এই সাহাৰ্য্যৰ ধন অতি সামান্য। সেইবাবে ঠিকাদাৰ সকলক তেওঁলোকে সম্পূৰ্ণ কৰা কামৰ ধন পুৰাভাবে আদায় দিব পৰা নাই। ঋন সাহাৰ্য্য অধিক কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত খাটনি ধৰা হৈছে।

(গ) ব্ৰহ্মপুত্ৰ উপত্যকাৰ আধা হৈ থকা মথাউৰি বিলাক সম্পূৰ্ণ কৰিবৰ বাবে বহুতো ঠাইত আচনি প্ৰস্তুত কৰি আৱশ্যকীয় ব্যৱস্থা লোৱা হৈছে। কিন্তু নতুনকৈ নিৰ্ম্মাণ কৰিব লগীয়া মথাউৰিৰ কাম বিত্তীয় অনুদানৰ ওপৰত নিৰ্ভৰ কৰিহে হাতত লব পৰা হব।

আনহাতে বৰাক উপত্যকা আৰু পাৰ্ব্বত্য অঞ্চলৰ আচনি সমূহৰ ধন বাস্তিক পৰিকল্পনাৰ পৰা পোৱা হয় যদিও কম পৰিমানৰ বিত্তীয় অনুদান পোৱাৰ কাৰণে বহুতো আচনি হাতত লব পৰা হোৱা নাই।

শ্ৰীছামছিং হান্সে ( মন্ত্ৰী ):— মাননীয় অধ্যক্ষ মহোদয়, তেনে ধৰণৰ কোনো 'অভাৰ লেপিংৰ 'সম্ভাৱনা নেথাকে। যিহেতু আমাৰ বৰাক ভেলি পাৰ্ব্বত্য অঞ্চল এলেকা অসম চৰকাৰৰ হাতত আছে। কিন্তু ব্ৰহ্মপুত্ৰ বোৰ্ড সম্পূৰ্ণ কেন্দ্ৰীয় চৰকাৰৰ হাতত। যি কোনো আলোচনাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰৰ বিষয়া সকলো থাকে আৰু অসম চৰকাৰৰ বিষয়া সকলো থাকে। অসমৰ বিষয়া সকল সম্পূৰ্ণ অসম চৰকাৰৰ কৰ্মচাৰী, তেনেস্থলত আমি আলোচনা কৰোতে কেন্দ্ৰীয় চৰকাৰৰ যি কমিটি সেই কমিটিয়ে আমাৰ বিষয়া সকলৰ লগত আলোচনা কৰিয়েই কৰে। গতিকে 'অভাৰ লেপিং 'হোৱাৰ সম্ভাৱনা নেথাকে।

**Shri Charan Narzary :** Sir, we are having another plan known as Tribal Sub-Plan. I personally know that the Flood Control Department has approved several schemes under the Tribal Sub-Plan in different districts. May I know from the hon'ble Minister as to whether it is a fact that execution of the various schemes approved by the Flood Control Department, will not be done during the current year that is, 1986-87 because fund has not been made available to the State Government by the Central Government? What is the position now, whether there is any hope for getting the fund from the Central Government for execution of the approved schemes under the Tribal Sub-Plan ?

**শ্ৰীছামছিং হান্সে (মন্ত্ৰী) :**—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিবিলাক 'ট্ৰাইবেল চাব প্লেন' আচঁনি আছে এই সম্পৰ্কে মই যোৱা বৈঠকতে এই সদনত এটি বিবৃতি দাঙি ধৰিছিলো। আমি সৰ্ব্বভাৰতীয় দল এটাই কেন্দ্ৰীয় চৰকাৰৰ ওচৰত কাম-কাজৰ কাৰণে কিছু টকা দাবী কৰিছিলো। তাত 'ওৱাট'ৰ ৰিচচ মিনিষ্টাৰ আৰু চেণ্টেল ওৱাটাৰ কমিচনৰ সদস্য সকল আছিল। তেওঁলোকে এটি পথ দেখুৱাই দিছিল যে টি, এচ, পিৰ কাৰণে যি টকা আছে ১৫ আগষ্টৰ ভিতৰত আচঁনি কৰি যদি আমাক দিব পাৰে তেনেহলে কেন্দ্ৰীয় চৰকাৰে অনুদান দিয়াৰ ব্যৱস্থা কৰিব। তাৰ পৰা উভতি অহাৰ পিচত আমি বিষয়া সকলক লগত লৈ ১১৭ কোটি টকাৰ টি, এচ, পিৰ আচঁনি কৰি ১৩ আগষ্টৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰক দিছিলো। ইতিমধ্যে চেণ্টেল ওৱাটাৰ কমিচনৰ পৰা ঘুৰি আহি আকৌ ওৱাটাৰ ৰিচচ মন্ত্ৰীৰ টেবুলত পৰি আছে। মই শেষত নিজেই দিল্লীলৈ গৈ এই বিষয়ে খবৰ কৰোতে আমাক 'হম-মিনিষ্টাৰ' পৰা দিব পৰা হব বুলি জনাইছিল। সেয়েহে 'হম মিনিষ্টাৰ' পৰা কেতিয়া দিব পৰা হব এতিয়াই আমি কব নোৱাৰিম। মাত্ৰ মই সদনক এইখিনিকে কব পাৰো যে টকা-পইচা অতি সোনকালে দিব পাৰিম বুলি আশা কৰিছো।

## UNDISPOSED STARRED QUESTIONS :

(To which oral answers were not called for want of time. However, written answers deemed to have been laid on the table as follows : )

### Re : Illegal Migrants Determination Tribunal.

**Shri Abdul Muqtadir Choudhury asked :**

*36. Will the chief Minister be pleased to state :

(a) The place where illegal Migrants determination Tribunal are working ?

(b) Is it a fact that many existing Tribunal have been withdrawn putting the people into harassment ?

**Shri Prafulla kumar Mahanta (Chief Minister) replied :**

36. (a) **Place of sitting of Illegal Migrants (Determination) Tribunal.** Terri torial limits of Jurisdiction of Tribunal

1. Guwahati— Kamrup District, pragjyotishpur District, Dhubri District, Goalpara District, Kokrajhar District, Barpeta District, and Nalbari District.
2. Tezpur— Sonitpur District, Darrang District, Lakhimpur District.
3. Jorhat— Jorhat District, Sibsagar District, Dibrugarh District, and Nagaon District.
4. Silchar— Cachar District, N. C. Hills District, Karbi Anglong District and Karimganj District.

(b) Question of harassment does not arise.

## SHORT NOTICE
## QUESTIONS AND ANSWERS

( To which oral answers were given )

### বিঃ অসম বাংলাদেশৰ সীমান্ত বাণ্টা

শ্ৰীজয় নাথ শৰ্ম্মাই সুধিছে :

১। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম বাংলাদেশ সীমান্তত প্ৰস্তাৱিত পথ নিৰ্মাণৰ বাবে জৰীপৰ কাম কিমান আগবাঢ়িছে ?

(খ) এই পথৰ অনুমানিক দৈৰ্ঘ্য আৰু ব্যয় কিমান হব পাৰে সেই সম্পৰ্কে চৰকাৰৰ হাতত কিবা তথ্য আছে নেকি আৰু আছে যদি বিতং জনাবনে?

(গ) এই পথ নিৰ্ম্মাণৰ বাবে জৰীপৰ কাম যুদ্ধকালীন গতিত সমাধা কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১। (ক) অনুমোদিত ১২ : কিঃ মিঃ ৰ ভিতৰত ৬৬ কিঃ মিঃ দৈৰ্ঘ্যৰ জৰীপৰ কাম এতিয়ালৈকে সম্পূৰ্ণ হৈছে।

(খ) জৰীপ সম্পূৰ্ণ নোহোৱালৈকে বিতং কব পৰা নাযায়।

(গ) জৰীপৰ কাম ক্ষিপ্ৰ গতিত চলোৱাৰ বাবে সকলো ব্যৱস্থা লোৱা হৈছে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ

মাননীয় অধ্যক্ষ মহোদয়, ভাৰত বাংলাদেশ সীমান্তৰ অসমৰ লগত যি সম্পৰ্ক আছে সেই সম্পৰ্ক মাটিৰ লগত যিটো অংশ ২৭০ কিলোমিটাৰ আৰু বিভাৰ পথ ১৮০ কিলোমিটাৰ। ইতিমধ্যে আমাৰ অসম চৰকাৰৰ তৰফৰ পৰা পি, ডব্লিউ, ডি, ৰ জৰিয়তে চাৰ্ভে কাম আৰম্ভ কৰা হৈছে আৰু ৬৮ কিলোমিটাৰৰ কাম শেষ হোৱাৰ লগে লগে ৰাষ্টা বনাব পৰা যাব।

শ্ৰীজয় নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, ২৮০ কিলোমিটাৰৰ মাটিৰ পথ আছে। কিন্তু আমি জনামতে বাংলাদেশ আৰু অসম সীমান্তৰ মাজত যিটো দিশ ২৮০ কিলোমিটাৰতো অধিক হব। তাৰ ভিতৰত ১২৩ কিলোমিটাৰ নিৰ্ম্মাণ কৰাৰ কথাটো আচলতে সচাঁ নেকি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ (মুখ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, অসম বাংলাদেশৰ প্ৰস্তাৱিত পথটো নিৰ্ম্মাণৰ বাবে অনুমোদিত কৰা হৈছে ১২৩ কিলোমিটাৰ। তাৰ ভিতৰত ৬৬ কিলো মিটাৰ দৈৰ্ঘ্যৰ কাম এতিয়ালৈকে সম্পূৰ্ণ কৰা হৈছে আৰু বাকী বিলাকৰ ক্ষেত্ৰত ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে।

শ্ৰীজয় নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, বিশেষ সূত্ৰে জনা গৈছে যে কেন্দ্ৰীয় চৰকাৰৰ চক্ৰান্তকাৰী দল এটাই অসম আৰু বাংলাদেশ সীমান্ত অহা যোৱা মুক্ত কৰিবৰ কাৰণে ষড়যন্ত্ৰ কৰি আছে। অসম আৰু বাংলাদেশৰ সীমা নিৰ্ম্মাণৰ কাম এই বছৰৰ ভিতৰতে গোটেই ঠাইতে জৰীপৰ কামৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেচা দি থকা হৈছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই সম্পৰ্কে হেচা দি থকা হব।

## DISCUSSION DURING ZERO HOUR

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় সদস্য শ্ৰীআলতাফ হুছেইন মজুমদাৰে বস্তুৰ উতথাপন কৰিব।

**Shri Altaf Hussain Mazumdar** : Mr. Speaker Sir, with your kind permission I am raising a matter, a very sad matter for the attention of the Forest Department as well as the General Administration. In the last year, in Narayanchara village of Cachar district inhabited by the tribal people and the tea garden labourers, a herd of wild elephants killed two persons. Again Sir, in this year on the first of December at night a herd of 20 elephants entered the area caused widespread devastation, depredations and damaged the entire village of Narayanchara village which is a ex-tea garden labour area village. It also caused damages to some other neighbouring villages. Many houses were broken, damaged and pulled down in the entire village. Three persons were killed. They were living in the cottages and the huts. The rogue among themst snatched a child and dashed on the ground. Such depredations of wild elephants are taking place. What is the behaviour of the administration. It is the saddest part of the story. When I contracted the Forest Department, they said, 'what can we do'. The Minister said,— what

can we do. Why the administration can be so cruel to it. People fled away from the tila area at night. I intimated the Deputy Commissioner and the Forest Department officials. The D. F. O. had not sent any forces. Only one Forester had gone, and a Guard had gone there. The local administration is very callaous to us. In 1985 at last, Shri K. D. Bora, Secretary now, rendered reliefs to the people. This year, I donot know, why the administration has turned a deaf year to such problems Will the Hon. Chief Minister ask for a report from the Deputy Commissioner Cachar ? They did not give immediate relief to the people. I asked personally the Deputy Commissioner and the Forest Department officials. I know, there is no administration in Cachar. It does not listen to this Government. Last year, an amount of Rs. 5000/- were given from Chief Minister's relief fund to next of kin of deceased persons. These are all very poor tea garden people. On humanitarian consideration and feeling they need security and more help. This Government is failing in its basic duty. I blame the administration also at the district level. I donot wants to blame the administration at Dispur. But the blame comes to Dispur as they are unable to have control over the district administration at Cachar. Will the Chief Minister ask the D.C. and the D.F.O. to visit the area ? I request the Government to kindly take steps on this.

**Shri Charan Narzary** : Sir, this elephant is the symbol of the A. G.P. Government, but this elephant has gone out of their control. (The House is in laughter).

শ্ৰীভৃগু নবহ (বঃ মন্ত্ৰী) : *মাননীয় অধ্যক্ষ মহোদয়, আৰু মাননীয় সদস্য সকল, আমাৰ মাননীয় সদস্য গৰাকীয়ে কাছাৰত হাতীয়ে উপদ্ৰৱ কৰা প্ৰসঙ্গলৈ কিছুমান অতিৰঞ্জিত আৰু অপ্ৰাসঙ্গিক কথা কৈছে। তাৰ কাৰণে মই গভীৰ উদ্বেগ প্ৰকাশ কৰিছো আমাৰ প্ৰশাসন যন্ত্ৰটোক সমালোচনা

আগবঢ়াইছে। তাৰ কোনো যুক্তিযুক্ততা নাই। আমাৰ বন বিভাগে কৈছে কাছাৰ জিলাত হাতীয়ে উপদ্ৰৱ কৰা নাই। তেখেতে যিটো কথা কৈছে এইটো মই মানি লব নোখোজো। তাত কোনো ৰেঞ্জাৰ যোৱা নাই। ৰাজ্যখনৰ য'ত হাতীয়ে উপদ্ৰৱ কৰা বুলি বাতৰি পাইছো আমি লগে লগে তালৈ বন বিভাগৰ বিষয়া কৰ্ম্মচাৰী পঠাইছো। মই অলপ আগতে কৈছো যে তালৈ মানুহ পঠোৱা হৈছে আৰু ব্যৱস্থাও লোৱা হৈছে। প্ৰথমতে আমাৰ গণপৰিষদ চৰকাৰে হাতী ধৰিবলৈ ব্যৱস্থা লৈছিল। হাতীৰ উপদ্ৰৱৰ পৰা মানুহক ৰক্ষা কৰিবৰ কাৰণে যদিও ব্যৱস্থা লোৱা হৈছিল, কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা স্বয়ং প্ৰধান মন্ত্ৰীয়ে চিঠি লিখিছিল যে হাতী ধৰিব নালাগে আৰু বাতৰিটো ওলাইছে যে চৰকাৰে হাতী ধৰি বেয়া কাম কৰিছে। যদি হাতী ধৰা নহয় তেতিয়া হলে হাতী বিলাকে হুলস্থূল কৰি অত্যাচাৰ, উপদ্ৰৱ কৰে। সেইকাৰণে চৰকাৰে হাতী ধৰিবলৈ দিছিল। কিন্তু তাক বন্ধ কৰিব-লগীয়া হয়।

মই অলপ আগতে কৈছো যে হাতীৰ উপদ্ৰৱৰ পৰা ৰক্ষা কৰিবৰ কাৰণে কিছুমান ব্যৱস্থা কৰা হয়। সেই ব্যৱস্থা বিলাকৰ ভিতৰত কেতিয়াবা জুই জ্বলাই, টিন বজাই, ঢোল বজাই আৰু শূণ্যলৈ গুলি চলাই হাতী খেদাৰ ব্যৱস্থা কৰা হয়। আগতে এই বিলাক শুনিলে হাতী পলাই যায়। কিন্তু আজিকালি এই বিলাক শুনিলেও নপলায়। আপোনালোকে শুনি আচৰিত হব যে পানীখাইটী অঞ্চলত হাতীয়ে মানুহৰ ঘৰৰ পৰা মদ খাইছে আৰু মদৰ টেকেলী লৈ গুছি গৈছে। (হাঁহিৰ খলকনি হয়)। আকৌ শিৱসাগৰ জিলাত ভোগদৈ নৈৰ পানী খাই হাতীয়ে গৈ মানুহৰ ঘৰৰ পৰা ডুকলহ মদ খাই নিচাত মাতাল হৈ ঘুৰি ফুৰিছিল। এনেকুৱাও ঘটনা ঘটিছে যে হাতীয়ে ধান খাবলৈ আহি নানা ধৰণে অত্যাচাৰ কৰি যায়। কেন্দ্ৰীয় চৰকাৰে ১৯৭২ চনতে এই গোটেইখিনি ক্ষমতা আমাৰ ৰাজ্য চৰকাৰৰ হাতৰ পৰা লৈ যায়। গতিকে আমি বন্য প্ৰাণীৰ ক্ষেত্ৰত একো কৰিব নোৱাৰো।

১৯৭২ চনৰ আন্দাৰ এক্ট অব, ৰুল ১১ত এই সকলোবোৰ আইনৰ কথা লিখা আছে। গতিকে এই বিষয়ে ৰাজ্য চৰকাৰে কোনো এক্টৰ ব্যৱস্থা লব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰেহে ব্যৱস্থা লব লাগিব। কেন্দ্ৰীয় চৰকাৰে আইন কৰা বাবে বোধহয় সেই আইনৰ কথা জানিয়েই আজিকালি জুই আদিৰে হাতী খেদোৱাৰ ব্যৱস্থা কৰিলেও হাতী নপলায়। (সদনত বিৰাট হাঁহিৰ ৰোল উঠে)। সেইকাৰণেই আমাৰ মুখ্য বন সংৰক্ষকক কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ বিষয়টো জনোৱাৰ বাবে দিল্লীলৈ পঠোৱা হৈছে।

*Speech not corrected.

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মূখ্য বন্যপ্ৰাণী সংৰক্ষক দিল্লীলৈ গৈ এই বিষয়ে আলোচনা কৰিছে। আনকি প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ দায়িত্বত এই বন বিভাগটো আছিল। মাননীয় কেন্দ্ৰীয় মন্ত্ৰী ভজনলাল আৰু মাননীয় হানচাৰীয়া দেৱৰ লগতো এই বিষয়ে আলোচনা কৰা হৈছে। মেলেং, পানীখাইটি আদি অঞ্চলত ব্যৱস্থা লবলৈ আৰু এই বিষয়ে আমাক পৰামৰ্শ দিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাইছিলো। কিন্তু আজিলৈকে ইয়াৰ উত্তৰ অহা নাই। উত্তৰ নহাটোত ৰাজনৈতিক ব্যৱস্থায়ো জৰীত আছে। মাননীয় অধ্যক্ষ মহোদয়, বিশেষকৈ মাননীয় সদস্য সকলৰ লগত বিৰোধী পক্ষ্যৰ সদস্য সকলেও হাতীৰ উপদ্ৰৱৰ পৰা মানুহক পৰিত্ৰান কৰিবলৈ কোৱাটোত বিৰোধীপক্ষ্য সদস্য সকলৰ আন্তৰিকতা আছেনে নাই তাত সন্দেহৰ অৱকাশ আছে। হাতী যদি নিজে নিজে থিক নহয় তেতিয়াহলে তাক থিক কৰাটো বৰ কঠিন কাম হৈ পৰে আৰু বন্দুকৰ গুলীৰ শব্দত যদি হাতী নপলাই তেনেক্ষেত্ৰত উপায় নাই। তথাপিতো এই বিষয়ে আমি যথাযথ ব্যৱস্থা লৈছো। মেলেংপাম আদি ১৫ খন গাঁৱত হাতীয়ে অত্যাচাৰ চলাইছে। সেই সময়তে সেই গাঁৱৰ মানুহ বিলাকে হাতীৰ এই উপদ্ৰৱ নিয়ন্ত্ৰণ কৰিম বুলি চৰকাৰৰ পৰা ধন বিচাৰে। চৰকাৰে এই ধন মজুৰী ১৫ খন গাঁৱৰ মানুহক দিয়ে কিন্তু তথাপিতো

তেওঁলোকে হাতীৰ উপদ্ৰৱ নাইকিয়া কৰিব নোৱাৰিলে। প্ৰতি খন গাঁৱতে একোখন গাওঁৰক্ষী কমিটি গঠন কৰা হৈছে। প্ৰতিখন কমিটিকেই ১০ হাজাৰ কৈ টকা দিয়া কথা আৰু ১৫ খন কমিটিৰ কাৰণে ডেৰ লাখ টকা হয়। লগত বন বিভাগৰ কৰ্ম্মচাৰীয়ো থাকিব। হাতী পলোৱাৰ বাবেই আমি গুলীৰ শব্দ কৰিব পাৰো যেতিয়ালৈকে হাতী-বিলাক নৰ্ম্মাল অৱস্থাত থাকে। হাবি নোহোৱাৰ কাৰণে এনেবিলাক ঘটনা ঘটিবলৈ পাইছে। নগালেণ্ডৰ পাহাৰত বহুত হাতী আছে কিন্তু তথাপিতো নগালেণ্ডৰ মানুহক হাতীয়ে ভয় কৰে কাৰণ তাত হাতীয়ো ভক্ষণ কৰা হয়। সেইকাৰণে হাবিৰ ওচৰত বসতি কৰা মানুহবোৰ তাত হাতীয়ে উপদ্ৰৱ নকৰে আৰু সেই হাবিত এটাও হাতী থাকিব নোৱাৰে। সেইকাৰণে এই বিষয় বিলাক কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনাকৰাৰ কাৰণে আকৌ এবাৰ মুখ্য বন প্ৰাণী সংৰক্ষক দিল্লীলৈ যাব। তেওঁলোকে এই বিষয়ে আলোচনা কৰি আহিছে। বিৰোধী পক্ষ্যৰ সদস্য সকলে ৰাজ্যখনত প্ৰসাশন অচল হৈছে বুলি অভিযোগ কৰিছে আৰু জিলা উপায়ুক্তই একো কৰা নাই বুলি কৈছে। কিন্তু মই কওঁ প্ৰসাশন অচল হোৱা নাই প্ৰশাসন কাৰ্য্যক্ষম হৈ আছে।

**Shri Altaf Hussain Mazumdar :** Sir, a point of order. I have not said 'misakatha' This is unparliamentay. This should be expunged.

**Mr. Speaker :** 'Misa Katha' is unparliamentary.

**Shri Altaf Hussain Mazumdar :** Mr. Speaker Sir, I have brought this matter to the notice of the Minister with all sincerity and seriousness. I have not uttered a word in exegeration or in excess. I have personally visited the spot and requested the D. C. to take action. But no Ranger went there. So I urged upon the Minister to make an enquiry why prompt action was not taken. Sir, let him enquire the matter. Even the villagers will say what I have stated here, whether I am true and whether the officers did go there. On enquiry it will be very clear.

মাননীয় অধ্যক্ষ : এতিয়া আৰু এটা বিষয় উত্থাপন কৰিব।

শ্ৰীপ্ৰদীপ হাজৰিকা : মাননীয় অধ্যক্ষ মহোদয়, এই যিবিলাক কথা ইয়াত উত্থাপন কৰা হৈছে এইটো সত্য কথা। যেতিয়াই এজন সদস্যই বক্তব্য ৰাখি থাকে তেতিয়া ভালেমান সদস্যই একেলগে কথা কয় সেইটো ভুল নে শুদ্ধ। এই বিলাক কথা কিয় কব লগা হৈছে ?

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় সদস্য জয়নাথ শৰ্ম্মাই এটা বিষয়ৰ ওপৰত উত্থাপন কৰিব।

শ্ৰীজয়নাথ শৰ্ম্মা : *মাননীয় অধ্যক্ষ মহোদয় আজি দৈনিক অসম কাকতত এটা গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ পাইছে। এই বাতৰিটো বৰপেটাৰ নিজা বাতৰি দিওঁতাই পৰিবেশন কৰিছে। অসম আৰু বাংলাদেশৰ গাত লাগি থকা কেন্দ্ৰীয় চৰকাৰৰ আন্তঃৰাষ্ট্ৰীয় সীমা সুৰক্ষাৰ ক্ষেত্ৰত অনুপ্ৰবেশ বন্ধ কৰাৰ কাৰণে কোনা ব্যৱস্থা লোৱা নাই সেই কথা আকৌ এবাৰ সুৱৰাই দিছে যাৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰৰ এই মনোভাৱৰ প্ৰতি হুংকাৰ দিবলৈ বাধ্য হৈছো। বাতৰিটো প্ৰকাশ পোৱা মতে ৬ দিনৰ মূৰত বাংলাদেশী পৰিয়ালটো ঘূৰি আহি আকৌ আগৰ ঠাইত হাজীৰ হয়। পুলিচে ৭ নবেম্বৰ তাৰিখে বহিস্কাৰ কৰি পঠোৱা অনুপ্ৰৱেশকাৰী বাংলাদেশী পৰিয়ালে পুনৰ নভেম্বৰ মাহৰ ১৩ তাৰিখে অনুপ্ৰৱেশ কৰি বৰপেটা জিলাত সপৰিয়ালে স্বচ্ছন্দে বসতি কৰি থকা ঘটনা দৃষ্টি গোচৰ হৈছে। ইয়াত কি ৰহস্য আছে যে বাংলাদেশী বুলি চিনাক্তকৰণ হোৱাৰ পাচত বিতাৰিত কৰাৰ পাচতো কেনেকৈ এটা পৰিয়ালৰ লগতে সৰ্ব্বমুঠ ৪৭ জন লোক পুনৰ ঘূৰি আহিবলৈ সুবিধা পালে। মঙ্গলদৈত, নগাঁৱত এনেকুৱা ঘটনা হৈছে। ইয়াৰ অনেক উদাহৰণ আছে। আৰু আগতে বাৰে বাৰে কেন্দ্ৰীয় চৰকাৰে স্বীকাৰ কৰিছিল। মঙ্গলদৈ, চাউলখোৱা, দৈপাম, লামডিং, নগাঁও, কৰিমগঞ্জ আৰু গোৱালপাৰা আদি বিভিন্ন অঞ্চলত এনেকুৱা কিছুমান মানুহ আছে যি সকলক এবাৰ বিদেশী বুলি চিনাক্তকৰণ কৰি বিতাৰিত কৰাৰ পিচত আহি অসমত সোমাইছে। এতিয়া এইখন

বাতৰি কাকতৰ এই বাতৰিটোৱে আজিৰ এই কথাৰ স্পষ্ট উদাহৰণ ডাঙি ধৰিছে। মই নিজে মুখ্য মন্ত্ৰীৰ লগত যোৱা মাহত বাংলাদেশ আৰু অসমৰ সীমান্ত চাবলৈ যোৱাৰ সৌভাগ্য ঘটিছিল। তাত দেখিছিলো এটা বন্দুক দি এজন চিপাহীক ৪ মাইল ৰাষ্টা প্ৰহৰা দিবলৈ কোৱা হৈছে। যদি এজন মানুহে দিনত ৪ মাইল গৈ আকৌ এবাৰ ওভতি আহিবলগীয়া হয়, তেতিয়া এলাহ কৰিব। এই এলাহ অসমৰ অস্তিত্ব ৰক্ষাৰ এলাহ নহয়, এইয়া ভাৰতবৰ্ষৰ অস্তিত্ব ৰক্ষা কৰাৰ এলাহ, এই ষড়যন্ত্ৰ অসমৰ কাৰণে কৰা ষড়যন্ত্ৰ নহয়, এই ষড়যন্ত্ৰ ভাৰতবৰ্ষ সাৰ্ব্বভৌমত্ব ধ্বংস কৰাৰ ষড়যন্ত্ৰ। এই ষড়যন্ত্ৰ মষিমূৰ কৰিব লাগিব। ভাৰত চৰকাৰে হাত সাৱতি বহি থকা কথাটো সঁচা নহলেনো এবাৰ বিতাৰিত কৰাৰ পাচতো ৪৭ জন মানুহ আকৌ সোমাই বৰপেটালৈ কেনেকৈ আহিব পাৰে? নিশ্চয় সীমান্তৰক্ষী বাহিনীয়ে তেওঁলোকৰ কৰ্ত্তব্য ঠিকমতে পালন কৰা নাই। কাৰণ সীমান্তৰক্ষী বাহিনীৰ অধিকাংশ লোকেই বাংলাদেশী মানুহে যি ভাষা কয় সেই ভাষা তেওঁলোকেও কয় আৰু তেওঁলোকে হিন্দী নকয়। ভাষাৰ প্ৰেমত অসমত প্ৰবেশ কৰিবলৈ দিয়া হৈছে বুলি কলেও ভুল কৰা নহয়। এই কথা সঁচা বুলি কবপৰা কাৰণ বা যুক্তি আমাৰ আছে। অসম বাংলাদেশৰ সীমান্তত বি, এচ, এফৰ বাহিৰেও অসম পুলিচৰ শক্তিশালী বাহিনী এটা সীমান্তত চোকা পহৰাৰ কাৰণে নিয়োগ কৰিব লাগে। অসমত যাতে বিদেশী সোমাব নোৱাৰে তাৰ কাৰণে অসম চৰকাৰে অস্ত্ৰ-শস্ত্ৰৰে সুসৰ্জ্জিত অসম পুলিচৰ অসম সীমান্তৰক্ষী বাহিনী এটা গঠন কৰিব লাগে। ২ লাখ লৰা-ছোৱালীয়ে ফেইল কৰিছে, এই ২ লাখ লৰা-ছোৱালীক পুলিচত চাকৰি দিব লাগে। গতিকে মই অনুৰোধ কৰিছো এই বাতৰিটোত লিখা থকা সকলো কথা পুংখানুপুংখৰূপে তদন্ত কৰি তৎকালিন ভাৱে অসমৰ অস্তিত্ব ৰক্ষা কৰি বাংলাদেশৰ পৰা যাতে অবিৰতভাৱে অনুপ্ৰৱেশকাৰীয়ে প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে নিজা বৰীয়াকৈ, স্বতন্ত্ৰবীয়াকৈ অসম চৰকাৰে ব্যৱস্থা লব।

* Speech not corrected.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) : মাননীয় সদস্য সকলে জানে অসম বাংলাদেশৰ সীমান্ত বেছি ভাগেই উন্মুক্ত। এই উন্মুক্ত অঞ্চলেদি বিদেশী প্ৰব্ৰজনৰ অভিযোগতেই যোৱা ছবছৰে আন্দোলন জনসাধাৰণে কৰিছিল আৰু পিছত হোৱা চুক্তিতো এই বিষয়ে চুক্তি হৈছিল যে সীমান্ত সুৰক্ষা কৰিবলৈ ব্যৱস্থা লোৱা হব আৰু বিদেশীক চিনাক্তকৰণ পদ্ধতিও শক্তিশালী কৰিবলৈ ব্যৱস্থা লোৱা হ'ব।

বৰ্তমান উল্লেখ কৰা নিৰ্দিষ্ট বিষয়টোৰ অনুসন্ধান কৰি বিতং তথ্য দিব পৰা যাব। কিন্তু এইটো ঠিক যে সীমান্তইদি বিতাৰিত বিদেশী ঘূৰি অহা বিষয়লৈ চৰকাৰ বিশেষ চিন্তিত। চৰকাৰী তথ্য মতেও (যোৱা-বছৰটোত) অক্টোবৰ মাহলৈ ১২৮৯ জন তেনে ধৰণে পুনৰ প্ৰবেশ কৰা বিতাৰিত বিদেশীক ধৰা পেলাই পুনৰ বহিস্কাৰ কৰা হৈছে।

সীমান্তৰ পহৰাৰ ভাৰ কেন্দ্ৰীয় চৰকাৰৰ আৰু সীমান্ত ৰক্ষী বাহিনী তাৰ কাৰণে শক্তিশালী কৰা হৈছে বুলি চৰকাৰে আমাক জনাইছে, কিন্তু কিমান পৰিমাণে শক্তিশালী কৰা হৈছে আৰু তেনে ব্যৱস্থা যথেষ্ট হয়নে নহয় সেইটো আমি জানিব পৰা নাই আৰু তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত চৰকাৰী ভাৱে আৰু ব্যক্তিগত ভাৱে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ ওচৰত মই বাৰে বাৰে জোৰ দিছো, লগতে সীমান্তত কাঁটা তাৰৰ বেৰ দিয়া আৰু সীমান্ত পথ নিৰ্মানৰ কাৰণেও জোৰ দিয়া হৈছে। পথৰ কাৰণে জৰীপ আৰম্ভ হৈছে বেৰাৰ কথা আমি আলোচনা কৰি আছো আৰু কেন্দ্ৰীয় চৰ-কাৰক জোৰ দিছো।

ৰাজ্য চৰকাৰৰ ফালৰ পৰা ৰাজ্যৰ ভিতৰৰ বিদেশী চিনাক্তকৰণ বা পুনৰ প্ৰবেশ কৰা বিদেশী বিতাৰিতৰ কাৰণে আৰক্ষী বিভাগ আৰু শক্তিশালী কৰিবলৈ চেষ্টা কৰা হৈছে। অসম চুক্তি অনুসৰি আৰু বিদেশী চিনাক্তকৰণৰ কাৰণে আৰক্ষী বিভাগ শক্তিশালী কৰিবলৈ প্ৰস্তাৱ দিয়া হৈছে, অনুমোদন এতিয়াও পোৱা নাই। বৰ্ত্তমান আগৰ অনুমোদিত আৰক্ষীচকী বিভাগৰ দ্বাৰাই এই কাম অধিক

জোৰেৰে আগবঢ়াই নিবৰ কাৰণে এজন আৰক্ষী মহাপৰিদৰ্শক (আই-জি-পি) মুকীয়াকৈ দিয়া হৈছে আৰু সততে বিষয়টো মই নিজে চকু দিছো। কিন্তু বিদেশী চিনাক্ত কৰণ আইনখন সংসোধন নকৰিলে হোৱা অসুবিধাৰ কথা মাননীয় সদস্যসকলে জানেই। তাৰ বাহিৰেও মাজে মাজে আইন-শৃংখলাৰ অৱস্থাত আৰক্ষী বিভাগ ব্যস্ত হৈ পৰিলে এই কাম ব্যাহত হয়। কিন্তু ৰাজ্য চৰকাৰে এই বিষয়ত যথেষ্ঠ সতৰ্ক দৃষ্টি ৰাখিছে।

বৰ্তমান উল্লেখ কৰা ধৰণৰ অভিযোগ আমি পাইছো আৰু আমি চিন্তিত। এই বিষয়টো আৰু জোৰ দি কেন্দ্ৰীয় চৰকাৰৰ লগত উৎথাপন কৰি সীমান্ত সুৰক্ষা কৰাৰ ব্যৱস্থা নিকপকপীয়া কৰিবৰ কাৰণে ব্যৱস্থা লবলৈ কোৱা হ'ব।

## CALLING ATTENTION

**Shri Ardhendu Kumar Dey :—** Sir, I beg to call the attention of the Chief Minister under Rule 54 of the Rules of Procedure and conduct of Business in Assam Legislative Assembly to the news item appearing in the "Sadinia Prahari" dated 13th November, 1986 under the caption', (In Assamese)". Sir, we have also noticed about the deterioration of the law and order situation within the State and it was presumed previously that only the Opposition parties are demanding the resignation of the Home Minister and not the others but it is a matter of great regret that AASU which has given birth to AGP also demanding the same. Sir, here is a news appeared in"Sadinia Prahari" dated 13th November, 1986 under the caption "গৃহ মন্ত্ৰীৰ পদত্যাগ কিয় দাবী কৰা হৈছে?"

Sir, it has also been reported in the "Asom Bani" dated 21st November, 1986.

নলবাৰীৰ ঘটনা সন্দৰ্ভত যোৱা ৫ নবেম্বৰৰ দিনা সদৌ গুৱাহাটী ছাত্ৰ সন্থাই মহানগৰীত এটা মৌন সমদল উলিয়ায় আৰু অসমৰ গৃহমন্ত্ৰী শ্ৰীভৃগু কুমাৰ ফুকনৰ পদত্যাগ দাবী কৰি এখন প্ৰচাৰ পত্ৰ বিতৰণ কৰে। এই প্ৰচাৰ-পত্ৰখনৰ কিছু অংশ তলত দিয়া হ'ল—

"ৰাইজৰ চৰকাৰ এখন প্ৰতিষ্ঠা হোৱা বুলি আত্মসন্তুষ্টি লাভ কৰাৰ সময়তে, হিতেশ্বৰ শইকীয়াৰ অবৈধ ৰাজত্বৰ সন্ত্ৰাসৰ দিন উকলিল বুলি স্বস্তিৰে উশাহ লোৱাৰ সময়তে পৰীক্ষিত বৰ্মণক অসমৰ ৰাজপথত ইতৰ জন্তুৰ দৰে গুলিয়াই হত্যা কৰাৰ ঘটনাই সকলোকে ভবাই তুলিছে। এই পৰিপ্ৰেক্ষিতত সদৌ গুৱাহাটী ছাত্ৰ সন্থাই আপোনালোকক কিছু কথা কোৱাৰ প্ৰয়োজন অনুভৱ কৰিছে।

ৰাইজৰ চৰকাৰখন গঠন হোৱাৰ পিছতো সমগ্ৰ অসমতে পুলিচী অতিশয্যাৰ ঘটনা চলিয়েই আছে। 'আছু'ৰ বহু কৰ্মীয়েও পুলিচী নিৰ্য্যাতনৰ সন্মুখীন হৈছে। আনহাতে পুলিচ বাহিনী সন্ত্ৰাসৰ প্ৰতীক হব নালাগে বুলি তথা সমগ্ৰ পুলিচী ব্যৱস্থাটোৰেই আমূল পৰিবৰ্তন হব লাগে বুলি বৰ্তমানৰ গৃহমন্ত্ৰী গৰাকীয়ে ঘোষণা কৰিছে।

ভেনেক্ষেত্ৰত গণ-পৰিষদৰ শাসনৰ কালছোৱাতো চলি থকা পুলিচী নিৰ্য্যাতনে প্ৰমাণ কৰিছে যে, পুলিচী ব্যৱস্থাটো সলনি হোৱাটো দূৰতে থাকক, গৃহমন্ত্ৰী গৰাকীয়ে পুলিচ প্ৰশাসনৰ ওপৰত সাধাৰণ নিয়ন্ত্ৰণখিনিকে ৰাখিব পৰা নাই। এই কথাটোৰে আকৌ এবাৰ প্ৰমাণ কৰিলে পৰীক্ষিত বৰ্মণে এগৰাকী বৰ্ব্বৰ, মদপী (মাদক দ্ৰব্য নিবাৰণী বিভাগৰ গৃহমন্ত্ৰীৰ হাতত) বিষয়াৰ হাতত প্ৰাণ ত্যাগ কৰে।

সেয়েহে সদৌ গুৱাহাটী ছাত্ৰ সন্থাই পৰীক্ষিত বৰ্মণৰ হত্যাকান্দৰ বাবে দোষী পুলিচক অহা ৭২ ঘন্টাৰ ভিতৰত শাস্তি বিহাৰ দাবী জনাইছে। আৰু পুলিচ প্ৰশাসনক নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হোৱাৰ বাবে অসমৰ গৃহমন্ত্ৰী গৰাকীৰ পদত্যাগৰ দাবী জনাইছে। লগতে গৃহ বিভাগটোক উপযুক্ত ব্যক্তিৰ হাতত দি পুলিচ প্ৰশাসনক সু-নিয়ন্ত্ৰণত ৰখাৰ দাবী জনাইছে।

Here also it is written that the deterioration of the administration is so acute that the law and order situation has gone in the hands of the anti-social elements. Now, sir, everyday there is an incident of dacoity, incidence of murder, incidence of rape and so on and so forth. Sir, it is also noticed everywhere that the administration of the Police Deptt. has been deteriorated to a great extent. Why this is so-that is to be found out ? Sir, unless and until the Police administration is geared up properly, there will be no security of the people in the State. Therefore, sir, my suggestion is that the administration of the Home Deptt., which is controlled by the Home Minister, should be properly geared up. The paper has rightly commented that the Home Deptt. under the leadership of the Home Minister has become inefficient and he has failed to control the deptt. We also equally echo the same thing and demand that Home Minister should resign.

অসমবাণী ২১ নবেম্বৰ ১৯৮৬ চন।

শ্ৰীজয় নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, যোৱা কালি নিয়ম ভঙ্গৰ কাৰণে ৰুলিং দিয়া হৈছিল। নলবাৰীৰ পৰীক্ষিত বৰ্ম্মণৰ ঘটনা হোৱাৰ পিচতহে তাক কোৱা হৈছিল।

**Shri Altaf Hussain Mazumdar** :—Sir, here the Hon'ble Member has raised a point questioning the decision of the Hon'ble Speaker, How he can do so ? Sir, no Member has got the right to question in this way.

**Mr. Speaker** :—Order, order, under Rule 54 of the Rules and Procedure and Conduct of Business of the Assembly, the Hon'ble Member has raised this discussion. According to this Rule, the Hon'ble Member has got the right to raise such a discussion, Now, the Hon'ble Chief Minister, will reply.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, প্ৰাপ্ত প্ৰতিবেদন মতে যোৱা ৫ নবেম্বৰৰ দিনা সদৌ গুৱাহাটী ছাত্ৰ সন্থাই তাৰ চাৰিদিনৰ আগতে নলবাৰীত ঘটা এটা ঘটনাৰ প্ৰতিবাদত এটা সমদল উলিয়াই আৰু সেই সন্দৰ্ভত দিয়া স্মাৰকপত্ৰত অন্যান্য প্ৰসঙ্গৰ লগতে গৃহমন্ত্ৰীৰ পদত্যাগ দাবী কৰে।

নলবাৰী ঘটনা সম্পৰ্কত চৰকাৰৰ হাতত পৰা তথ্য এনেধৰণৰ: এক নৱেম্বৰৰ দিনা মাজনিশাৰ পিচত নলবাৰীৰ সন্ধ্যা বেলগেটৰ ওচৰত নিযুক্ত থকা পুলিচৰ পৰীয়া চকীয়ে সন্দেহজনক ভাবে দুজন আৰোহীৰে সৈতে এখন স্কুটাৰ ৰবলৈ নিৰ্দ্দেশ দিয়াৰ লগে লগে তাৰে এজন আৰোহীয়ে স্বয়ংচালিত বন্দুকেৰে পুলিচৰ দললৈ অতৰ্কিতে গুলীয়াই তৎক্ষণাত পলায়ন কৰে। পুলিচৰ দলে তেতিয়া সেই স্কুটাৰ আৰোহী দুজনৰ পম খেদি যায়। কিন্তু স্কুটাৰখন আন্ধাৰত অদৃশ্য হয়।

এইখিনিতে উল্লেখ কৰিব পাৰি যে নলবাৰী চহৰ আৰু তাৰ আশে পাশে দেৱালীৰে ৰাতি পুলিচ পহৰাৰ বন্দবস্ত কৰা হৈছিল, কাৰণ গোপন সূত্ৰৰ পৰা সেইদিনা ৰাতি উগ্ৰপন্থীয়ে লুটপাত আৰু হিংসাত্মক কামত লিপ্ত হব পাৰে বুলি আৰক্ষী বিভাগে বাতৰি পাইছিল। উক্ত ঘটনাৰ এঘন্টামানৰ পিচত এখন স্কুটাৰ আৰু এখন মটৰ চাইকেল চলাই দুজন ব্যক্তি একেবাটেদি অহা দেখা পাই পুলিচ দলে ৰবলৈ সঙ্কেত দিয়া সত্বেও স্কুটাৰ আৰু মটৰ চাইকেল দুখনে সঙ্কেত অমান্য কৰি অতি বেগেৰে চলাই নিয়ে। তেতিয়া পুলিচৰ মনত সন্দেহ হোৱাত পুলিচৰ গাড়ীলৈ ততালিকে খেদি গৈ স্কুটাৰৰ আৰোহী জনক কৰায়ত্ব কৰে; কিন্তু মটৰ চাইকেলৰ চালক জনে তেতিয়া অধিক বেগেৰে গুচি যায়। ফলত পুলিচৰ দলে কিছুদূৰ খেদি গৈ সন্দেহ জনক ভাবে বেগেৰে গুচি যোৱা মটৰ চাইকেলৰ চালকজনক পলাই যোৱাৰ পৰা বিৰত কৰিবলৈ গুলিয়াবলৈ বাধ্য হয়। ফলত তেওঁ আঘাত প্ৰাপ্ত হয় আৰু পিচত হাস্পতালত মৃত্যু ঘটে।

পিচত মৃতক নলবাৰীৰ গোপাল বজাৰৰ শ্ৰীপৰীক্ষিত বৰ্ম্মণ বুলি চিনাক্ত হয়।

ঘটনাৰ খবৰ পোৱাৰ লগে লগে আৰক্ষী মহানিৰ্দ্দেশক প্ৰমুখ্যে পুলিচ বিভাগৰ উচ্চপদস্থ বিষয়া সকল নলবাৰীলৈ গৈ ঘটনাৰ বুজ-লয় আৰু যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰে। চৰকাৰেও ঘটনাৰ গুৰুত্ব বুজি নামনি অসমৰ আয়ুক্তক ঘটনাৰ তদন্ত কৰিবলৈ হুকুম দিয়ে। এনে ধৰণৰ উচ্চ পৰ্য্যায়ৰ তদন্ত চলি থকা অৱস্থাত প্ৰকৃত তথ্য পাতি অৱগত নোহোৱাকৈ কেৱল আবেগৰ দ্বাৰা পৰিচালিত হৈ অমূলক তথ্যৰ ওপৰত প্ৰচাৰ কৰি উত্তেজনা সৃষ্টি কৰাটো বাঞ্ছনীয় নহয়। কিছুমান ব্যক্তিগত বা ঠাই বিশেষে ঘটনাৰ বাবে সমগ্ৰ আৰক্ষী বিভাগটোক অহেতুকভাবে সমালোচনা কৰাটো ৰাজহুৱা স্বাৰ্থৰ পৰিপন্থী, এনে অযথা সমালোচনাই বা অন্য উদ্দেশ্য প্ৰনোদিত প্ৰচাৰে আৰক্ষী বিভাগৰ মনোবল যাতে ভাঙি নেপেলায়, তাৰ কাৰণে সকলোৱে সতৰ্ক হোৱা উচিত। এনে কৰাটো নিশ্চয় যুক্তিপূৰ্ণ হোৱা নাই। প্ৰকৃত তথ্য উদ্ধাৰ কৰি ৰাইজৰ আগত দাঙি ধৰিব পৰাকৈ সহযোগ আগবঢ়োৱাৰ ব্যৱস্থা কৰোৱাটোহে এনে সময়ত উপযুক্ত পন্থা।

আৰক্ষী বিভাগে যাতে ৰাইজৰ প্ৰতি দায়িত্ব সুচাৰু ৰূপে পালন কৰিব পাৰে, তাৰ কাৰণে আমি সদা সচেষ্ট। এই ক্ষেত্ৰত দোষী ব্যক্তিক শাস্তি দিয়াৰ কাৰণে আৰু ভৱিষ্যতৰ কাৰণে আৱশ্যকীয় সংশোধনমূলক ব্যৱস্থা লবলৈ আমি চেষ্টা কৰি আছো। সেই পৰি-প্ৰেক্ষিতত গৃহমন্ত্ৰীৰ পদত্যাগ দাবী আৰু তাৰ ওপৰত মাননীয় সদস্যই দেখুৱা উদ্বেগ সকল ৰাইজৰ স্বাৰ্থৰ দ্বাৰাই প্ৰনোদিত বুলি ধাৰণা নহয়।

**Shri Joy Nath Sharma** :—Mr. Speaker, sir, I beg to present a petition submitted by Shri Madhab Chandra Deka and Shri Bhaben Barua, President and General Secretary respectively, All Assam Subordinate Monitoring Service Association, Department of Agriculture.

## PRIVATE MEMBERS PENDING RESOLUTION

মাননীয় অধ্যক্ষ : এতিয়া ৪ নং কাৰ্য্যসূচী স্থগিত সংকল্প প্ৰস্তাৱৰ আলোচনা আধৰুৱা হৈ আছিল। ভাত ভাগ লৈছিল মাননীয় সদস্য শ্ৰীগনেশ কুটুমে। এতিয়া শ্ৰীকুটুমে তেখেতৰ বক্তব্য আৰম্ভ কৰিব লাগে।

শ্ৰীগনেশ কুটুম : মাননীয় অধ্যক্ষ মহোদয় আৰু মাননীয় সদস্য সকল, যোৱা অধিবেশনত মাননীয় সদস্য ডা: কমলা কলিতাই উংথাপন কৰা প্ৰস্তাৱটো মই সমৰ্থন কৰি মোৰ বক্তব্য আৰম্ভ কৰিছো। আজি চাৰি মাহে ধৰি অসম চুক্তিক কেন্দ্ৰ কৰি অসম আৰু অসমৰ বাহিৰত যথেষ্ট ক্ৰিয়া প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অসমৰ ৰাইজ আৰু অসম গণ পৰিষদ দলে অসম বন্ধৰ যি প্ৰত্যাহ্বান দিলে, সেই আহ্বানৰ প্ৰতি অসমৰ ৰাইজে পূৰ্ণ সমৰ্থন আগবঢ়াইছে। উল্লেখযোগ্য যে অকল ব্ৰহ্মপুত্ৰ উপত্যকাতেই নহয় এইবাৰ বৰাক উপত্যকাতো তাৰ প্ৰতিক্ৰিয়া দেখিবলৈ পাইছো। কেন্দ্ৰীয় চৰকাৰে অসম চুক্তি ৰূপায়ণ নকৰাৰ বাবেই তাৰ প্ৰতিবাদত অসম বন্ধ দিয়া হৈছে, এইটোৱেই নহয় যে আমাৰ দলৰ ফালৰ পৰাই এই আহ্বান দিব লগীয়া হৈছিল তেনে নহয়, সমগ্ৰ ৰাষ্ট্ৰৰ জনসাধাৰণকেই এই বন্ধৰ দ্বাৰাই দৃষ্টি আকৰ্ষণ কৰিবলগীয়া হৈছিল। অসম চুক্তিৰ মূল কথাটো হৈছে বিদেশী বিতাৰণ আৰু বিদেশী চিনাক্তকৰণ কৰা। সেই কাৰ্য্যৰ দ্বাৰাই আমি বিদেশীক বাছি উলিয়াব পাৰিম আৰু বিদেশীক বিদেশলৈ বিদায় দিব পাৰিম। ১৯৭৩ চনৰ ন্যায়াধীকৰণ আইনখন সংশোধন কৰাৰ যি চুক্তি দিছিল, কেন্দ্ৰীয় চৰকাৰে আজিলৈকে তাক সংশোধন কৰা নাই। মই আশা কৰিছিলো বিলখন লোকসভাত উংথাপন কৰা হব কিন্তু তাক উংথাপন কৰা নহল। মই জনাত

পশ্চিমবঙ্গ নিৰ্ব্বাচন শেষ হোৱাৰ আগলৈকে কেন্দ্ৰীয় চৰকাৰে অতি স্পৰ্শকাতৰে সেইটো দাঙি ধৰা নাই। ইয়াৰ আগতেও পশ্চিম-বঙ্গত চৰকাৰে তাৰ তীব্ৰ বিৰোধিতা কৰিছিল। পশ্চিমবঙ্গত চি, পি, এম দলৰ চৰকাৰ। কিন্তু কেন্দ্ৰত আই কংগ্ৰেছ দলৰ চৰকাৰ। গতিকে পশ্চিমবঙ্গৰ বিৰোধী দল আৰু কেন্দ্ৰত আই কংগ্ৰেছ দলে ফুচুলনি দিছে বুলি অনুমান হয়। প্ৰধান মন্ত্ৰীয়ে এই সংশোধনী আইনখন লোকসভাত উত্থাপন কৰিব নালাগে বুলি কোৱা কথাটো মই শুনিবলৈ পাইছো।

মাননীয় অধ্যক্ষ মহোদয়, আজি কেইদিন মানৰ আগতে আমাৰ মূখ্য মন্ত্ৰী কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিবলৈ যাওঁতে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে যি আচৰণ প্ৰদৰ্শন কৰিলে সেইটো সচাঁকৈয়ে বৰ দূৰ্ভাগ্য-জনক। 'অসম চুক্তিৰ' নিচিনা এটা অতি স্পৰ্শকাতৰ বিষয়ক তেখেতে যি ধৰণে লঘু কৰি দেখুৱালে সেইটো অতি দুৰ্ভাগ্য জনক কথা। এজন গৃহ মন্ত্ৰী হিচাবে তেখেতৰ দায়িত্ব এইটোৱেই নেকি যে, অসম চুক্তিৰ নিচিনা স্পৰ্শকাতৰ সমস্যাক ইমান লঘু ভাৱে লৈ এইদৰে নিজৰ দায়িত্ব পালন কৰিলে। সেই কাৰণে আজি এই বিধান সভাত আলোচনা কৰি ডঃ কমলা কলিতাই অনা প্ৰস্তাৱটো প্ৰয়োজ-নীয় যি অলপ পাৰি সেইটো সংশোধনী আনি তেনে এটা প্ৰস্তাৱ কৰিবলৈ আমি সমৰ্থন জনাইছো। এই সম্পৰ্কে মই এই বিধান সভাতেই কেইবাৰাৰো পৰামৰ্শ আদি আগবঢ়াইছো। গতিকেই আমি আশা ৰাখিছো যে, কেন্দ্ৰীয় চৰকাৰে অতি সোনকালেই এই বিল-খন লোকসভাত উত্থাপন কৰিব। আজি এই সমস্যাটো অকল অসমৰ জনসাধাৰণৰ স্বাৰ্থতেই নহয়, গোটেই দেশখনৰে সামগ্ৰিক স্বাৰ্থৰ খাতিৰত আমি এইটো গ্ৰহণ কৰাটো উচিত হব।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা পৰহি দিনা গুৱাহাটীত উত্তৰ পূৰ্ব্বাঞ্চলৰ সকলো বিলাক আঞ্চলিক দল লগ লাগি অসম চুক্তি যথাযথ ভাৱে পালন কৰাৰ কাৰণে ঐক্য মতত উপনীত হৈ যি প্ৰস্তাৱ

গ্ৰহণ কৰিছে সেইটো আমি সমৰ্থন কৰিছো। আইনখনত যি বিলাক আসোঁৱাহ আদি আছে সেই বিলাক আতৰ কৰিবৰ কাৰণেও আমি প্ৰয়োজনীয় ব্যৱস্থা হাতত লব লাগিব। তাত থকা এটা প্ৰস্তাৱত আছিল যে, তিনি কিলোমিটাৰৰ ভিতৰত থকা লোকে অবৈধ ভাৱে বসবাস কৰা লোকৰ বিৰোদ্ধে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিব বুলি এটা কথা আছে। আজি কেইদিন মানৰ আগতে আমি মান-কাছাৰ সীমান্তত ভাৰত বাংলাদেশ সীমান্ত পৰিভ্ৰমণ কৰি আহিলো। তাত আমি যিটো দেখিলো অসমৰ মাটিত থকা কোনো খিলঞ্জীয়া ভাৰতীয় মানুহে তাত কোনো বিদেশী লোক আছে বুলি জনোৱাৰ কোনো সাহস গোটাব নোৱাৰিব। কোনো ভাৰতীয় লোকেই হওঁক বা কোনো বিদেশী লোকেই হওঁক, বিদেশী লোকৰ বিৰোদ্ধে যাতে আপত্তি তুলিব পাৰে তাৰ কাৰণে ব্যৱস্থা ৰাখিব লাগে।

ইয়াৰ লগতে ২৫ টকীয়া 'কৰ্ট ফি স্টাম্প' দিব লগীয়া যিটো কথা আছে সেইটোও বাতিল কৰি বিনামূলীয়াকৈ দিয়াৰ ব্যৱস্থা কৰিব লাগিব। ন্যায়াধীসৰ কথাটোও মই অকল এই অধিবেশনতেই নহয়, ইয়াৰ আগৰ অধিবেশনতো কেইবাবাৰো কৈছো। সেই মতে কেন্দ্ৰীয় চৰকাৰৰ লগত হেচা পয়োগ কৰিব লাগে। আমি অসম চৰকাৰ শুই থকা নাই, শুই থাকিব নোৱাৰো। আমি শাসনত অধিষ্ঠিত হৈ অকল বিধান সভাৰ মজিয়াত যুদ্ধ কৰিলেই নহব, বিধান সভাৰ বাহিৰত দিল্লীতো আমি প্ৰয়োজন হলে যুদ্ধ কৰিবলৈ প্ৰস্তুত। আজি আমাৰ বিৰোধী দল আৰু, সংখ্যালঘু মৰ্চ্চাৰ ফালৰ পৰা বিদেশী বিতাৰণৰ নামত, অভাৰতীয় লোকক বিতাৰণৰ নামত ভাৰতীয় নাগ-ৰিকৰ ওপৰত হাৰাশাস্তি চলাই থকা হৈছে বুলি যি অভিযোগ আনিছে সেইটো আমি অস্বীকাৰ কৰিছো আৰু তাৰ লগে লগে আমি তেখেত সকলক অনুৰোধ কৰিছো যে, তেখেত সকলে সচাঁকৈয়ে অসমক, ভাৰতবৰ্ষক নিজৰ বুলি ভাৱে বা নিজকে প্ৰকৃতাৰ্থত ভাৰতীয় বুলি ভাৱে ভেতিয়াহলে, তেখেত সকলেও এই দেশখনক বিদেশী মুক্ত

কৰিবলৈ অহোপুৰুষাৰ্থ কৰিব লাগিব তাৰ কাৰণে ঐক্যমতত উপনীত হব লাগিব। মই ইয়াৰ আগৰ বিধান সভাত কেইবাৰো এই কথা বিলাক কৈছো। গতিকে মোৰ বক্তব্য আৰু দীঘলীয়া নকৰি মই ইমানতে মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ :—এই প্ৰস্তাৱৰ ওপৰত এটা সংশোধনী আমাৰ মাননীয় সদস্য শ্ৰীদীনবন্ধু চৌধুৰী ডাঙৰীয়াই আনিছে। সেইটো ইয়াত উংথাপন কৰিবলৈ মই আমাৰ মাননীয় সদস্য জনক অনুৰোধ কৰিছো।

শ্ৰীদীনবন্ধু চৌধুৰী :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী কমলা কলিতাই উংথাপন কৰা সংকল্প প্ৰস্তাৱৰ (অসমাপ্ত) ওপৰত মই এটা সংশোধনী আনিব খুজিছো। সেই সংশোধনীটো হৈছে, প্ৰস্তাৱটোৰ শেষৰ পৰা তৃতীয় শাৰীৰ 'আৰু' আৰু 'অনান্য' শব্দ দুটাৰ মাজত অবৈধ বিদেশী সকলৰ চিনাক্তকৰণ আৰু বহিস্কৰণৰ প্ৰক্ৰিয়া সৰলিকৰণ আৰু দ্ৰুততৰ কৰাৰ বাবে "—বাক্যাংশ সংযোজন কৰা হওঁক।"

**Mr Speaker**–Now Hon'ble Member, Shri Charan Nerzary will speak.

**Shri Charan Nerzary**–Mr Speaker sir, I support the Resolution moved by Hon'ble Shri Kalita for amendment of certain provisions of the Illegal Migrants (Determination of Foreigners) Tribunal Act. Sir, while the Bill for this Act was in the process of passage in the Parliament, the Plains Tribal Council of Assam categorically told the Central Government about the reaction of our Council. We communicated to the Central Government that the way the Bill was sought to be passed would be farcical and it would not be effective. We suggested to the Central Government that the onus i.e. the burden of proof should lie on the person alleged to be a foreigner. Secondly, the provision of fee/ of Rs. 25/- required to be deposited by the complainant should not be there. Thirdly, the provision that the complainant and the witnesses should be the persons of the locality within the area of 3 K.M: radius should be deleted.

Third, the provision that the complainant and the witnesses should be the persons of the locality within the area of 3 milometres radius should be deleted and the police authority should be given more power in respect of detection. This way some of the suggestions we made to the Central Govt. We discussed this matter with the Union Home Minister as well as with the Prime Minister, Also, in a number of meeting convened by the Chief Election Commissioner of India. We raised this issue and now, when this resolution has been brought in here demanding an amendment of certain provisions in the Illegal Migrants (Determination of Foreigners) Tribunal Act. We fully endorse it, This is a welcome move. Of course, it is entirely upto the Central Government whether they will accept this resolution or not. Then this august house has every right to demand amendment of Illegal Migrants (Determination of Foreigners) Tribunal Act. If this amendment as sought by this resolution could be obtained then the Illegal Migrants (Determination of Foreigners) Tribunal Act may be effective. Otherwise, the Act in the present law, will not serve any purpose, it will remain a farce. With these observations I conclude my submission.

শ্ৰীমজিবুদ্দিন আহমেদ :— মাননীয় উপাধ্যক্ষ মহোদয়, এই সদনত অজি যিটো প্ৰস্তাব আহিছে মই সেইটোৰ বিৰোধীতা কৰিছো আৰু কি কাৰণত বিৰোধীতা কৰিছো তাৰ কাৰণ হিচাপে মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। ইয়াত কোৱা হৈছে যে 'অসম বিধান সভাৰ এই অধিবেশনে অসমত প্ৰবেশ কৰা অবৈধ বিদেশী সকলক চিনাক্তকৰণ আৰু বহিস্কাৰৰ ব্যৱস্থা অসম চুক্তি অনুসৰি খৰতকীয়া কৰিবলৈ ১৯৮৩ চনৰ অবৈধ অনুপ্ৰবেশকাৰী (ন্যায়ধিকৰণৰ দ্বাৰা নিৰ্দ্ধাৰণ) আইনখনত "অবৈধ প্ৰব্ৰজক" শব্দ দুটাৰ ঠাইত

"অবৈধ বিদেশী" বুলি অন্তভূক্ত কৰা। ইয়াত প্ৰথমতেই কোৱা হৈছে যে প্ৰমানৰ ভাৰ অবৈধ বিদেশীৰ ওপৰত আৰোপ কৰা হৈছে। আজি ভাৰতত যি আইন আছে সেই আইন মতে এজন মানুহক বিদেশী বুলি প্ৰমান কৰিবলৈ হলে তাৰ ভাৰ যি জনে আপত্তি দিয়ে সেই জনে লব লাগিব। আপত্তি দিয়াৰ পিচত যেতিয়ালৈকে মানুহজনক বিদেশী বুলি প্ৰমানিত কৰিব নোৱাৰে তেতিয়ালৈকে তাৰ বাৰডেন্ লব লাগিব। এই বাৰডেন চিফ্‌ট কৰিব নোৱাৰে। এজন মানুহক পোনে পোনে বিদেশী বুলি লিখি দিলেই নহব। যি জনক বিদেশী বুলি লিখি দিয়ে তেওঁৰ বিৰুদ্ধে ডকুমেণ্ট থাকিব লাগিব। ১৯৭১ চনৰ আগত যি সকল লোক আহিছে সেই সকল বিদেশী নহয়। ১৯৭১ চনৰ পিচত যিসকল আহিছে সেই সকলৰ বিৰোদ্ধে অভিযোগ দিলে সেই বিলাক অভিযোগ প্ৰমান কৰিব লাগিব। তেতিয়াহে সেইজন মানুহ বিদেশী বুলি কব পৰা হব। বিদেশী প্ৰমানৰ ভাৰ যাৰ ওপৰত দিয়া হৈছে তেওঁলোকে দায়িত্ব লব লাগিব। আৰু এটা কথা ইয়াত আছে যে আপত্তি দাখিল কৰিলে আপত্তি দাখিল কৰোতাজনে ২৫ টকাকৈ মাচুল দিব লাগিব। এইটো কৰি ভালেই কৰিছে। যদিও মোৰ মতে এইটো কমহে হৈছে। কাৰণ ১৯৮৩ চনত দেখা গৈছিল ভোটাৰ তালিকা সংশোধনীৰ সময়ত একোজন লোকে হাজাৰ হাজাৰ মানুহৰ নামত আপত্তি দিছিল। কিন্তু এই দৰে টকা দিবলগীয়া হলে হাজাৰ হাজাৰ মানুহৰ নামত আপত্তি দিব নোৱাৰিব। এই বিলাক ধেমালিৰ কথা নহয়। এই বিলাক কথা একোজন মানুহৰ জীৱন মৰণৰ সমস্যাৰ কথা। এজন লোকৰ নাগৰিকত্ব খৰ্ব্ব কৰিবলৈ লোৱাটো সহজ কথা নহয়। নাগৰিকত্ব খৰ্ব কৰিব নোৱাৰিলেও এইদৰে এজন লোকে হাজাৰ হাজাৰ লোকৰ নামত আপত্তি দিব পাৰিলে সেই সকল লোকৰ, যি সকলৰ নামত আপত্তি দিয়ে সেই সকলৰ টকা পইচাৰ খৰচ হয়। মানুহ বিলাকক হাৰাসাস্তি কৰা হয়। এইটো আমি কেতিয়াও হবলৈ দিব নোৱাৰো। ইয়াৰ লগতে আৰু এটা ব্যৱস্থা থাকিব লাগে যে যদি এজন মানুহৰ

নামত আপত্তি দি প্ৰমান কৰিব নোৱাৰে তেনেহলে ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা থাকিব লাগে। গোচৰ প্ৰমানিত নহলে ২১১ ধাৰা মতে অভিযোগ কৰিব পাৰে। এই বিলাক আইন আছে। গতিকে বিদেশী চিনাক্তকৰণৰ কথাটো, নাগৰিকত্ব খৰ্ব কৰাৰ কথাটোত কেৱল এখন দখাষ্ট দিলেই নহব। এই বিলাক কথা ভালকৈ চাব লাগিব আৰু দেখা গৈছে যে আপত্তি দিছে কিন্তু যি জনৰ নামত আপত্তি দিছে তেখেতে কয় যে 'মই' আপত্তি দিয়াই নাই। এই দৰে চহী জাল কৰি আপত্তি দিয়া হৈছে। এই দৰেই চহী জাল কৰি একোজন মানুহে হাজাৰ হাজাৰ মানুহক হাৰাসাস্তি কৰি আহিছে। এই বিলাকৰ দায়িত্ব কোনেও নলয়। গতিকে যি জনে অভিযোগ কৰে তেওঁ দায়িত্ব লব লাগে। এজন বিধায়কে কৈয়ে যে ইউ এম এফৰ সদস্যকো নটিচ দিয়া হৈছে। গতিকে বিদে-শীৰ নামত যাতে ভাৰতীয় নাগৰিক সকল হাৰাসাস্তি হব লগীয়া নহয় সেইটো কথা বিশেষ ভাবে চাব লাগে। এতিয়া সকলোৰে হাততেই কাগজ আছে। সেই বিলাক চাই কোন বিদেশী, কোন স্বদেশী সেইটো নিৰোপন কৰিব লাগে। আমি দেখিছো যে ১৯৬৬, ১৯৬৭ চনতেই অহা লোকৰ ওপৰতো আপত্তি দাখিল কৰিছে। সেই বিলাক গোচৰ কেতিয়াও প্ৰমান নহয়। আগতে এই ধৰণৰ যি বিলাক গোচৰ দিছিল সেই বিলাকৰ এটাও প্ৰমান কৰিব নোৱা-ৰিলে। এনেয়েই মানুহ বিলাকক টকা পইচা ভৰাই হাৰাসাস্তি কৰিলে।

মাননীয় অধ্যক্ষ, মই এতিয়া কব বিচাৰিছো যে, বিদেশীৰ বিৰোদ্ধে অভিযোগ দাখিল কৰোতে ২৫ টকাৰ মাচুল দিবলগীয়া ব্যৱস্থা নোহোৱা কৰাৰ পৰিবৰ্তে ইয়াৰ তিনিগুণ বৃদ্ধি কৰিব লাগে। অৱশ্যে ৩ কিলো মিটাৰ দুৰত্বৰ ভিতৰত থকা লোকে বিদেশীৰ বিৰোদ্ধে দৰ্খাস্ত দিয়াৰ কথাটো ঠিকেই আছে কাৰণ তাৰ বেছি দূৰত্বত থকা লোকে প্ৰকৃত বিদেশী কোন তাক নাজানিবও পাৰে। অধ্যক্ষ মহোদয়,

মই মাত্ৰ কব বিচাৰিছো যে, গোটেইখিনি চৰৰ মানুহেই বিদেশী নহয়। চৰকাৰৰ মতে ১৯৭১ চনৰ পিচৰ মানুহখিনিক খেদি পঠিয়াব লাগে। কিন্তু চৰত থকা সকলো মানুহেই বিদেশী নহয়। আপোনালোকেও নাজানে বহুদিনৰ আগৰ পৰাই চৰত মানুহ আছে। আৰু এতিয়া আপোনালোকে কৈছে যে, চৰত থকা মানুহখিনি খেদি পঠিয়াব লাগে। এইখিনি কাম কৰিবলৈ যাওঁতে তিনিজন ন্যায়িধিকৰণৰ প্ৰয়োজন হব। চৰকাৰে কি কৰলৈ বিচাৰিছে এইটো এই কাগজত স্পষ্ট কৰি দিয়া নাই। গতিকে এনে ধৰণৰ 'ভেগ' কথাৰ ওপৰত কেন্দ্ৰীয় চৰকাৰ আগবাঢ়িব নোৱাৰে। এনেধৰণৰ ভেগ কথাৰ ওপৰত আমিও প্ৰস্তাৱ আগবঢ়াব নোৱাৰো। কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ আগবঢ়াবলৈ হলে আমি কব লাগিব যে, আমি এইটো পৰিবৰ্ত্তন কৰিবলৈ বিচাৰিছো। কিন্তু ইয়াত মাত্ৰ প্ৰয়োজনৰ কথাহে কোৱা হৈছে। গতিকে মই আশা কৰো প্ৰস্তাবটো উঠাই লব লাগে। অৱশ্যে কিছুমান মানুহে চৰৰ গোটেই মানুহখিনিকে বিদেশী বুলি কোৱা কথাত মই ৰাজী নহয়। এই কথাত মই দায়িত্ব লব পাৰো। এইখিনি কৈ মই সামৰিলো।

**Mr. Deputy Speaker :** Now hon'ble Member Shri Abdul Muhib Majumdar will speak.

**Shri Abdul Muhib Majumdar :** Mr. Deputy Speaker Sir, a resolution has been tabled before the House asking for amendment of the provisions of the Illegal Migrants' Determination (Tribunal) Act. I had the privilege of hearing the arguments advanced by the members for the resolution and also I had the advantage of hearing the arguments advanced by some of the hon'ble members against the resolution before the House. Sir, the problems are all known. There are few cases which must be looked into first. As you know sir, a resolution passed by this August House must have the unaniminity and the respectability and we know that any resolution which has to go from

this House should have the unaniminity of the House. That is why, I would like to come to the question of Accord first. There was a clause in the Assam Accord that there should be some amendment or some change or modification of the Illegal Migrants' Determination (Tribunal) Act. Now there was a demand and also we have seen the matter was taken up by the Government of Assam but this has not been done. We are now trying first to move the matter by a resolution from this August House. My own apprehension is this whatever is done by the House it must have the respectability, must have the unanimity. That is why, since there is no unaniminity on the resolution it would have been better if there was a discussion because there was no disagreement about it that foreigners have to go, or all the foreigners have to be thrown out. We do not want a resolution to go by lapse. If a resolution is not passed by the House it is telling upon the prestige of the House. If a resolution is tabled, the resolution has to have the approval of the House. We do not want to place anything which is rejected every time or to be farce. So, I am advancing one humble suggestion before the House. If any such resolution is placed before the House there should be some sort of understanding before it is put to Motion before the House.

Secondly sir, I would like to say another aspect. There was the Assam Accord signed and we have seen a change thereafter. There was a clause that there should be some changes. Now sir, the major responsibility is with those who had signed the Accord. Perhaps it was thought that without the amendment of this particular law, the foreigners would not be driven out and as such, this clause for amendment of law was included in the Accord. But possibly they should have been very much cautious before signing the Accord

because, amendment of this particular law is not within our power. It is a central Act and only parliament can change the law. It is going to be a farce. It is a farce.

This is a very pertinent point. There are also certain other aspects. Once a Government has been established with the vast support of the people, it has got very much responsibilities. Government's every action, every utterance must be to the great satisfaction of the people. Now Sir, there are issues raised by the members of this house. Now, I would like to point out one thing. This morning there was a debate raised by the Chief Whip of the ruling party-that 6 foreigners were sent out but the foreigners came back within 6 days. Now, my question is if this is the condition of the border, why should we go for this simple exercise. Supposing that there are foreigners five lakhs, 10 lakhs, 20 lakhs-they are also human beings. The border must be sealed. Steps must be taken so that nobody can come across the border in any manner. We have seen that there is complete failure on the part of the Government. I do not say which Government it is. There is complete failure and we have seen everyday in newspapers and it has also been supported by some members that the persons who were sent back as foreigners, they again came back. What is the use of sending more persons if they come back. It is only a matter of incurring expenditure. Seventeen people from Tezpur-they were brought by Police, they were sent to Bangladesh border and then something happened there. They could not be pushed to the other side of the border. So, those persons were again taken back to their respective places in the Police van by giving them lunch, breakfast etc. Section 3 of the Foreigners Act clearly says, as Hon'ble Speaker knows, that

once a person is proved to be a foreigner, he may be driven out from the country. Law is there. We have not been to solve unemployment. We have not been able to solve our other problems whatsoever. Even this morning there was an interesting debate. Now sir, I have found that the performance of our Hon'ble Minister has improved a lot. There is other reason also. Now-a-days, things have changed. elephant has started taking wine, elephant has started playing football etc. we never heard such things before.

My suggestion would be that the Government should take measures so that we can stop reinforcement of the foreigners by coming across the border. If this can be done, then only we will be able to develop our State. Hon'ble Chief Minister told that there is only a proposal of measuring of survey of 113 kms in the border.

In reply to a question the Chief Minister said that there is a proposal for survey of 133 km. of the border. What is the border starting from Mankachar to Karimganj? What is the length of the border with Bangladesh? Supposing we drive out all the people, and Particularly the people living in the chars, who are said to be the suspected Bangladeshi, as it is the general impression that the people living in the chars are all foreigners, and of course, Mr. Sarma has coined a term suspected foreigners, then what happens? They will all come back within 5 years. Is it possible for us to go on catching and hunting the foreigners and driving them out in this way? There are other things involved in it. If a person is accused as foreigners that person will have be proved as foreigner by the person who accuses him to be a foreigner. It will amount to nothing except spending of our money, energy and this will

not solve the problem. But how to stop it ? Supposing a person came here in 1950 and his age was at that time 35 years, by now he is 65 and possibly he has died or will be dying. But his children are all born here and they are all Indians. So we must find out the priorities, we must find out the ways.

**Mr. Speaker :** Your time is over.

**Shri Abdul Muhib Mazumdar :** I am finishing Sir, Whenever there is question of amending the Tribunal Act there is a fear in the mind of the minority.

My last point is in this resolution 3 or 4 items are mentioned. But we have to take note of the Rule of law, We will have to follow the principle of natural justice. If a person is accused of some offence, the burden of proof will lie with the person who brings the accusation against him. It is the fundamental of the principle of justice. I would say this is the law. Whenever, there is any accusation in Criminal Law, the law requires that the burden of proof must be on the persons who make the allegation. Supposing a man is accused of bigamy, it is to be proved beyond doubdt and the burden of proof lies with the person who brings this accusation. I will only submit that the resolution should not be passed as possibly, we will not be able to stand finally. Then how our prestige, the prestige of this House will stand ? We should not do anything which will tarnish the image of the Government and of this house and lower its prestige in any way. But it is necessary to find out the ways how to stop the foreigners coming to the State. Every member of the House is equally anxious that foreigners should be driven out. But while they are very anxious to drive out the foreigners there is no anxiety that they should not come here.

With these words Sir, I request that this resolution should be withdrawn.

কুমাৰ দীপক দাস :—

অধ্যক্ষ মহোদয়, কমলাকান্ত কলিতাই যিটো প্ৰস্তাৱ ইয়াত উত্থাপন কৰিছে সেই প্ৰস্তাৱটোৰ মূল কথা এইটোৱেই আছিল যে ১৯৮৫ চনৰ আগষ্ট মাহত কেন্দ্ৰীয় চৰকাৰে সদৌ অসম ছাত্ৰ সন্থা আৰু গণপৰিষদৰ লগত যিটো চুক্তিত স্বাক্ষৰিত কৰিছিল যি চুক্তি আমি সমৰ্থন কৰিছোঁ। সেই চুক্তি কাৰ্য্যকৰী কৰিবলৈ যাওঁতে আজি এই প্ৰস্তাৱটো আনিছে। কাৰণ এই ক্ষেত্ৰত যিখন এক্ট সেইখন সংশোধন নকৰা পৰ্য্যন্ত এই চুক্তি সম্পূৰ্ণৰূপে কাৰ্য্যকৰী কৰা নহব। এই প্ৰস্তাৱৰ ক্ষেত্ৰত এগৰাকী মাননীয় সদস্যই এটা কথা এনেকুৱাকৈ উল্লেখ কৰিছে যে আমি প্ৰথম চুক্তি হিচাবে আজি এই প্ৰস্তাৱটো আনিছোঁ। এই ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰৰ সদিচ্ছা বিচাৰিছোঁ, কিন্তু কেন্দ্ৰীয় চৰকাৰৰ সদিচ্ছাৰ অভাৱ হৈছে যাৰ ফলত অসমত অশান্তিৰ জুই পুনৰ বিয়পাৰ উপক্ৰম হৈছে। এই প্ৰস্তাৱটোত মাননীয় বিৰোধী পক্ষৰ সদস্য সকলেও সমৰ্থন জনাব লাগিছিল এই কাৰণেই যে তেখেত সকলে কৈছে যে বাংলাদেশ সীমান্ত কটকটীয়া নকৰা পৰ্য্যন্ত এই প্ৰস্তাৱ আনিলে কোনো লাভ নহব। কথাটো এনেকুৱা যে পগলা হাতীয়ে মানুহ মাৰি শেষ কৰাৰ পিছত চিকিৎসাৰ ব্যৱস্থা কৰা হওক। কথাটো এনেকুৱা নহয় যে পগলা হাতী গুলিয়াই হত্যা কৰা হওক। কিন্তু আমি কব বিচাৰিছোঁ পগলা হাতী গুলিয়াই হত্যা কৰা হওক, সেই কাৰণে এই প্ৰস্তাৱটো অনা হৈছে। গতিকে ইয়াক বিৰোধী পক্ষৰ মাননীয় সদস্য সকলেও সমৰ্থন কৰিব লাগিছিল। কিন্তু তেখেত সকলে কৈছে যে ফৰেইনাৰ্চ এক্টৰ যিটো কথা আছে তেখেত সকলে লব লাগিব। সেই এক্টখনৰ মতে আমি কি বিচাৰিছোঁ সেইটো ইয়াত সুন্দৰ ভাৱে লিখা আছে। চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে যাতে অনতিপলমে ব্যৱস্থা লব পাৰে তাৰ কাৰণে এই প্ৰস্তাৱটো অনা হৈছে। আমি এই প্ৰস্তাৱটোৰ সমৰ্থন জনাইছোঁ আৰু সকলোৱে সমৰ্থন জনাব বুলি আশা ৰাখি বক্তব্যৰ সামৰণি মাৰিছোঁ।

জয় আই অসম।

শ্ৰীমোক্তাৰ হুচেইন :—

অধ্যক্ষ মহোদয়, মাননীয় সদস্য কলিতা ডাঙৰীয়াই অবৈধ অনুপ্ৰবেশকাৰী আইনৰ কাৰণে যিটো প্ৰস্তাৱ সদনত আগবঢ়াইছে তাৰ মই বিৰোধীতা কৰিছোঁ। লগে লগে কলিতা ডাঙৰীয়াক ধন্যবাদ দিছোঁ এই কাৰণেই যে এই প্ৰস্তাৱটো সদনৰ মজিয়ালৈ আনি অসমৰ আজি আটাইতকৈ যিটো ডাঙৰ সমস্যা সেই সমস্যাৰ ওপৰত আলোচনা কৰাৰ সুযোগ দিছে। বিদেশী নাগৰিকৰ সমস্যা লৈ বিগত ৬ বছৰ কাল আন্দোলন হ'ল, এই বিষয়ত এটা চুক্তিও হ'ল।

অধ্যক্ষ মহোদয়, ১৯৮৫ চনৰ ১৫ আগষ্ট তাৰিখে ছাত্ৰ সন্থা আৰু তেতিয়াৰ গণপৰিষদৰ নেতৃবৃন্দৰ লগত কেন্দ্ৰীয় চৰকাৰৰ চুক্তি সম্পাদিত হৈছিল, সেই দিনা অসমৰ মানুহে, অসমৰ জনগণই ভাবিছিল যে অসমত এটা দীৰ্ঘ দিনীয়া ডাঙৰ সমস্যাৰ সমাধান হ'ল, যি সমস্যাক লৈ অসমত হেজাৰ হেজাৰ ঘৰ জলিল আৰু অনেকৰ অনেক দুখ দুৰ্গতি হ'ল। কিন্তু এই প্ৰস্তাৱটোৰ সমৰ্থনত আজি শাসক দলে সদনলৈ যিটো প্ৰস্তাৱ আনিছে আৰু তাৰ ওপৰত আজি যি বিতৰ্কৰ সৃষ্টি হৈছে তাক আমি সমৰ্থন কৰিব নোৱাৰোঁ।

মাননীয় অধ্যক্ষ :—সময় শেষ হ'ল, আপোনাৰ আৰু কব থাকিলে পিচত কব পাৰে।

## ADJOURNMENT

আজি সদন সোমবাৰে পুৱা ১০ বজালৈ স্থগিত হ'ল।

P. N. Hazarika
Secretary,
A.L.A.

Dated, Dispur
The 12th December, 1986.